# পটাচাৰা



ব্লগ অসম

নৱকান্ত বৰুৱা

শ্ৰীযুত হেমপ্ৰভা হাজৰিকা

এধান বাইদেউলৈ

শ্ৰদ্ধাৰে

ন. কা. ব.

# আগকথা

ভিক্ষুণী পটাচাৰাৰ কাহিনীটো মোক প্ৰথমে শ্ৰীশাসনবংশ ভিক্ষুৱে কৈছিল। পিছত থেৰীগাঁথাত পাওঁ পটাচাৰাৰ গাঁথাকেইটা, আৰু তাৰে অট্‌থ কথাত (অৰ্থকথা) পটাচাৰাৰ জীৱনীৰ আভাস। থেৰীগাঁথাৰ আলমত লেখা মোৰ অন্য এখন উপন্যাসিকা ‘মানুহ আটাইবোৰ দ্বীপ’ত মই পটাচাৰৰ চৰিত্ৰটো অলপ চুই গৈছোঁ। কিন্তু দুখৰ প্ৰতিমূৰ্তি স্বৰূপ পটাচাৰাৰ কাহিনীটোৰ যি কাৰুণ্য সি যেন গ্ৰীক ট্ৰেজেডিক অতিক্ৰম নকৰিলেও তাৰ ওচৰে-পাঁজৰে থাকে। বৌদ্ধ সাহিত্যত দুখৰ বৰ্ণনা আছে, ট্ৰেজিক ধাৰণা নাই। চাৰিটা আৰ্যসত্যৰ চতুৰ্থটোত সকলো ট্ৰেজিক ধাৰণা লীন যায়। দুখ যেহেতু উৎপত্তিশীল, তাৰ বিনাশ আছে।

কিন্তু মই এই কাহিনীটো ক’ব খুজিছিলো অন্য এটা কাৰণত। বুদ্ধৰ মাজত মই আচৰিত ভাৱে কিছুমান আধুনিক ধাৰণাৰ উৎস বিচাৰি পাওঁ। জীৱনৰ স্ব-কৃত কৰ্মজাত দুৰ্ঘটনাসমূহে উন্মাদিনী কৰা পটাচাৰাক স্বজ্ঞা দান কৰি তাইক এটা উচ্চতৰ মানসিক স্তৰত প্ৰতিস্থাপিত কৰাৰ প্ৰক্ৰিয়াটো মোৰ দেখোন এটা মনঃসমীক্ষণৰ প্ৰক্ৰিয়া যেন লাগে। সেইবাবে উপন্যাসৰ কোনো পৰিৱেশ সৃষ্টি কৰাৰ প্ৰয়াস নকৰি মই কেৱল সেই প্ৰক্ৰিয়াটোৰ কথাতে গুৰুত্ব দি কেৱল কাহিনী এটা কৈছোঁ - যাৰ ভিত্তি বৌদ্ধ সাহিত্যৰ কাহিনীটো। প্ৰচলিত অৰ্থত মই উপন্যাস ৰচনা কৰিব কেতিয়াও পৰা নাই। ইয়াত মোৰ বাবে সেইটো সম্ভৱপৰ হোৱা নাই। মই হয়তো উপন্যাসকাৰ নহওঁ - কথক মাত্ৰ। সেই কথা সুধীসমাজৰ বিচাৰ্য। কিন্তু পটাচাৰাৰ জীৱন-কাহিনী যি কোনো ভাৰতীয় ট্ৰেজিক চিনেমাতকৈ কৰুণ, কিন্তু পটাচাৰাৰ উত্তৰণ ঢুকি পোৱা আধুনিক কাহিনী সহজে পোৱা টান। ই হ’ল মানসিক ৰূপান্তৰৰ কাহিনী, জীৱনৰ ব্যৰ্থতাৰ পিছত আধ্যাত্মিকতাত বা কল্যাণকৰ্মত যোগ দিয়াৰ কাহিনী নহয়।

মোৰ বাবে আটাইতকৈ জটিল সমস্যাটো হ’ল পটাচাৰাৰ শেষ গাঁথাটো আৰু তাৰ অৰ্থকথা অৰ্থাৎ পটভূমি। তেলভৰা প্ৰদীপৰ মাজত জ্বলি থকা শলিতাডাল ডুবাই

দিওঁতে চাকি নুমাই গ'ল... তাতেই তেওঁ নিৰ্বাণৰ সুখ পাইছে ! ইয়াৰ অৰ্থ কি ?

শিখা-তেল-শলিতা নিঃশেষ হোৱাটোকেই নিৰ্বাণৰ লগত তুলনা কৰা শুনিছোঁ আৰু দেখিছোঁ। কিন্তু তেলভৰা চাকিত জ্বলা শলিতা বুৰাই নিৰ্বাণ ?

মোৰ ভিক্ষু বন্ধু শ্ৰীযুত শাসনবংশ ভন্তেক সুধিছিলোঁ। তেওঁ মোক নিৰ্বাণ আৰু পৰিনিৰ্বাণৰ তত্ত্বৰ কিবা এটা বুজাইছিল। কিন্তু মই দৰাচলতে বুজা নাছিলো, এতিয়াও বুজা নাই।

এই কাহিনীটো লেখাৰ আগতে ইয়াক নাটক ৰূপত আকাশবাণীয়ে প্ৰচাৰ কৰিছিল। কিন্তু তাত শেষৰ গাঁথাটোৰ সমস্যাটো তেওঁলোকে বাদ দি থ'লে। হয়তো সময়ৰ অভাৱ বা সম্পাদনাৰ প্ৰয়োজনত। তাৰ পিছতেই মই কাহিনী আকাৰত লেখি উলিয়ালো আৰু 'এহি ভিক্খুণী' নামেৰে সেইটো 'আজিৰ সময়'ৰ শাৰদীয় সংখ্যাত (চেপ্তেম্বৰ/১৯৮৭) প্ৰকাশ হ'ল। পটাচাৰা - এই সৰু পুথিখন সেই কাহিনীটোৰেই। প্ৰয়োজন অপ্ৰয়োজন গুণাগুণৰ বিচাৰ পাঠকসকলৰ সহৃদয়তাত।

নৱকান্ত বৰুৱা
গুৱাহাটী ২১ জানুৱাৰী, ১৯৯০

# পটাচাৰা

‘এহি’ বৈদিক ‘আয়াহি’ শব্দৰ প্ৰাকৃত ৰূপ। অৰ্থ হ’ল ‘আহা’। আনুষ্ঠানিকভাৱে আহ্বান কৰোঁতে এই শব্দ ব্যৱহৃত হয়। গায়ত্ৰী মন্ত্ৰত যিদৰে আছে - “আয়াহি গায়ত্ৰী......”। ভিক্ষু বা ভিক্ষুণীক সংঘত আনুষ্ঠানিকভাৱে গ্ৰহণ কৰোঁতে বুদ্ধই ‘এহি...’ বুলি আহ্বান জনাইছিল বুলি কথিত। ইংৰাজী বাইবেলত পাইছোঁ - যীচু খ্ৰীষ্টই কৈছিল - ‘ফলো মি’।... মামনুসব।।

# ॥ এক ॥

আজি কেইদিনমানৰপৰা শ্ৰাৱস্তীত এজনী নঙঠা তিৰোতা ঘূৰি ফুৰিছে। অসামান্য তাইৰ ৰূপ, অথচ যেন ডাৱৰে ঢাকি ধৰা ! চকুত তাইৰ শূন্য দৃষ্টি। তাই সকলো ফাললৈকে চায়, কিন্তু একোকে যেন তাই নেদেখে। সম্ভ্ৰান্ত বাটৰুৱাই তাইক দেখিলে চকু ঘূৰাই লয়, ধূৰ্তই আলেঙে আলেঙে চাই কোনোবাই দেখে বুলি আকৌ আঁতৰি যায়। ল'ৰা-ছোৱালীয়ে চিঞৰে.... 'যখিনী, যখিনী' ! দুষ্ট ল'ৰাই একোটা দলি মাৰে, কোনোবাই দুষ্ট ল'ৰাক ডবিওৱাৰ চলেৰেই চাই লয় উলংগিনীক। এটা কথা ঠিক। তাই পাগলী। উন্মাদ নহ'লে তেনেকৈ সম্পূৰ্ণ বিবসনা হৈ ঘূৰি ফুৰিব পাৰেনে? কোনোবাই কয় তাই কোনোবা ভৈৰৱী, হয়তো বা জগজ্জননী মহামায়াই ছদ্মৰূপেৰে এনেকৈ ঘূৰি ফুৰিছে.... বিপনি শাৰীৰ মাজেৰে, উদ্যানবিলাকৰ কাষেৰে, ৰাজ আলিয়েদি...

সেই সময়ত ভগৱান বুদ্ধ জেতবনত। নিতৌ পুৱা আৰু গধূলি ধৰ্মদেশনা কৰে। ভিক্ষু সংঘ আৰু গৃহী উপাসকসকল আহে তেওঁৰ দেশনা অৰ্থাৎ ধৰ্মীয় উপদেশ শুনিবলৈ। ভিক্ষুসকল আছেই, উপাসকসকল গোট খাইছেহি। উপাসকসকলৰ সকলোবোৰেই গৃহী, সংসাৰী। লগ পায়েই তেওঁলোকে ইটো সিটো কথা পাতে। বুদ্ধই তেওঁলোকক গ্ৰাম্য কথা, চৌৰ কথা ইত্যাদি আলোচনা নকৰিবলৈ বাৰে বাৰে সঁকিয়াই দিয়া সত্ত্বেও তেওঁলোকে এই উলংগিনীৰ কথাটো নপতাকৈ থাকিব পৰা নাই। 'একেবাৰে যুৱতী' - কোনোবাই কৈছে। কোনোবাই কৈছে - "উন্মাদিনীৰ আকৌ কিহৰ ৰূপ ? তাই চাগৈ ৰূপৰ বাবেই বলিয়া হ'ল।"

'নহয়, তাই নিশ্চয় 'মাৰ'ৰ কবলত পৰিছে' - নতুনকৈ বুদ্ধৰ মুখত 'মাৰ' নামৰ অপদেৱতাৰ কথা শুনি নিজকে জ্ঞানী বুলি পৰিচয় দিব খোজা নতুন ভিক্ষুৱে ক'লে।

তেনেকুৱাতে দেখা গ'ল ভগৱান বুদ্ধ আনন্দ আৰু সাৰিপুত্ৰৰ লগত মণ্ডলমালৰ ফালে আহি আছে। এজন ভিক্ষুৱে ডাঙৰকৈয়ে ক'লে, "তোমালোকে এই

গ্ৰাম্য কথা বন্ধ কৰা। ভগৱান তথাগত আহিব লাগিছে।”

সকলো সষ্টম হ’ল। ভগৱান বুদ্ধ আহি পশ্চিম ফালে মুখ কৰি পূবৰ আসনত বহিল। ভিক্ষুসকলে যথাৰীতি তিনিবাৰ আবৃত্তি কৰিলে : ‘নমো তস্‌স ভগৱতো অৰহতো সন্মা সম্বুদ্ধশম্।’ উপাসকসকলেও ভিক্ষুসকলৰ লগে লগে আওঁৰাই গ’ল।

তথাগত অৰহত সম্মা সম্বুদ্ধই অৰ্থাৎ গৌতম বুদ্ধই সকলোৰে ফালে চালে। তেওঁ যেন সকলোৰে মনত থকা কথাবোৰ বুজিহে পালে - সকলোৰে তেনে যেন লাগিল। বুদ্ধই গাঁথা এটি আৰম্ভ কৰিলে :

‘পিয়তো জায়তে সোকো পিয়তে জায়তে ভয়ং।

পিয়তো বিপ্পমুত্তস্‌স নত্থি সোকো কুতো ভয়ং।।’

[প্ৰিয়ৰপৰাই শোকৰ জন্ম, প্ৰিয়ৰপৰাই উৎপন্ন হয় ভয়; যিজন প্ৰিয়ৰপৰা মুক্ত তেওঁৰ শোক নাথাকে, ভয়েই বা থাকিব ক’ত ?]

বুদ্ধৰ গাঁথা শেষ হোৱাৰ লগে লগে প্ৰথা অনুসৰি মণ্ডলমাল প্ৰতিধ্বনিত কৰি উচ্চাৰিত হ’ল – ‘সাধু ! সাধু ! সাধু !’ বুদ্ধ বা আন কোনোবাই ধৰ্মদেশনা কৰিলে সকলোৱে এইদৰে শেষত বা মাজে মাজে সাধুবাদ দিয়াটো এটা পৰম্পৰাই হৈ পৰিছিল।

বুদ্ধই আকৌ এবাৰ সমাজখনলৈ চালে, তাৰ পিছত গাঁথা ব্যক্ত কৰিলে :

‘পেমতো জয়তো সাকো প্ৰেমতে জায়তে ভয়ং।

পেমতো বিপ্পমুত্তস্‌স নত্থি সোকো কুতো ভয়ং ।।’

[প্ৰেমেই জন্ম দিয়ে শোকৰ, প্ৰেমতেই জন্মলাভ কৰে ভয়ে, যিজন মুক্ত হয় প্ৰেমৰ বন্ধনৰপৰা, তেওঁৰ নাথাকে শোক, ভয়েই বা থাকিব ক’ত ?]

আকৌ সভাৰ লোকসমূহৰ সাধুবাদ ! কিন্তু সেই সাধুবাদ চলি থকা সময়তে দূৰত এটা কোলাহল শুনা গ’ল। উপাসক-উপাসিকাসকলৰ বহুতেই উমান ধৰিব পাৰিছে সেই কোলাহল কিহৰ ? নিশ্চয় সেই উন্মাদিনী - “তাই মণ্ডলমালৰ ফালেই আহিছে নেকি ? কোলাহলৰপৰা তেনে যেনেই লাগে, কাৰণ সেই

কোলাহলৰপৰা এনেবোৰ বাক্যৰ টুকুৰা ভাহি আহিছে – ‘দূৰ কৰা ! খেদি দিয়া - ক’ৰ এইজনী পাগলী - মাৰা তাইক - ছিঃ কটা কি নিলাজ - সৌৱা তাই মণ্ডলমালৰ ফাললৈকে আহিব লাগিছে।’

বুদ্ধৰ মুখ প্ৰশান্ত। কিন্তু ভিক্ষুসকলৰ, ঘাইকৈ আনন্দৰ মুখত উদ্বিগ্নতা। এইবোৰ দেৱদত্তৰ চাতুৰী নহয়তো ? দেৱদত্তই বাল্যকালৰেপৰা গৌতমৰ বিৰোধিতা কৰি আহিছে। গৌতমৰ এই সুনাম এই মহত্ব দেৱদত্তই সহ্য কৰিব পৰা নাই। এবাৰ এনেকৈয়ে গৌতমে অৰ্থাৎ বুদ্ধই ধৰ্মদেশনা কৰি থাকোঁতে তথাগতক অপদস্থ কৰিবৰ বাবে দেৱদত্তই এজনী বাৰাংগনা পঠিয়াই দিছিল। তাইৰ নাম চিঞ্চা। কাঠ এটুকুৰা পেটত বান্ধি তাই আহিছিল এনেকৈয়ে ভগৱানে ধৰ্মদেশনা কৰি থাকোঁতেই। আহিয়েই কৈছিল, ‘ব’লা, ইয়াত এনেকৈ থাকিলেই হ’বনে ? তোমাৰ সন্তানৰ জন্ম হ’বৰ হ’ল, ঘৰ-বাৰী এডোখৰ ঠিক কৰাগৈ।’ ভগৱান বুদ্ধই তাইৰ ফালে চাই এবাৰ মাথোন কৈছিল : ‘ভনী, তুমি যি কৈছা সি সঁচানে মিছা মই জানো আৰু তুমিও জানা।’ তাইৰ চকুলৈ চাই ‘তুমিও জানা’ বুলি কোৱাৰ লগে লগে চিঞ্চা কঁপি কঁপি গুছি গ’ল আৰু তাইৰ সেই কাঠৰ উদৰ মাটিত বাগৰি পৰিল। চিঞ্চা যোৱাৰ অলপ পাছতে পৃথিৱীয়ে ফাঁট মেলি তাইক গ্ৰাস কৰিলে - সম্ভৱতঃ অনুশোচনাত তাই আত্মহত্যা কৰিলে।

এতিয়া এই উন্মাদিনীকো কিবা চক্ৰান্ত কৰি দেৱদত্তই পঠিয়াই দিয়া নাইতো ! আনন্দ চিন্তিত হ’ল।

এজন বয়স্ক ভিক্ষুৱে ক’লে, “ভগৱান, তাই সঁচায়ে মণ্ডলমালৰ কাষ পালেহি। কিবা এটা কৰক। আয়ুষ্মান আনন্দ, ভন্তে, কিবা এটা কৰক।’

বুদ্ধ তেতিয়া সমাধিগ্ৰস্ত। তেওঁ নিৰ্নিমেষ নয়নে চাই আছে। তেওঁ কি দেখিছে কোনেও ক’ব নোৱাৰে।

আনন্দই বুদ্ধক কিবা সুধিব খুজিও নোৱাৰিলে। তেওঁ লৰালৰিকৈ কেৱল ক’লে, ‘ভিক্ষুসকল, তাইক এখন চীৱৰ দিয়ক। লজ্জা নিবাৰণ হওক অন্ততঃ। তাইৰ নগ্নতাই আমাৰ সকলোকে পীড়া দিছে।’

এজন ভিক্ষুৱে উঠি গৈ এখন চাদৰ সেই উলংগিনীৰ গাৰ ফালে দলি মাৰি দিলে। কাপোৰখন তাইৰ গাত পৰি বাগৰি মাটিতেই পৰি গ'ল। তাই সেইফালে বা সেইবোৰ কেৰেপকে নকৰিলে।

বয়স্ক ভিক্ষুজন বিব্ৰত হ'ল, 'ভন্তে আনন্দ, তাইক দিয়া বস্ত্ৰৰ প্ৰতি তাই ভ্ৰুক্ষেপকে নকৰিলে। আমি ক'ত থওঁ আমাৰ লজ্জা, ক'ত থওঁ আমাৰ সম্ভ্ৰম – ছিঃ !'

আনন্দ অলপ উত্তেজিত হ'ল, ক'লে - "তাই যদি আমাৰ বস্ত্ৰ বন্ধ গ্ৰহণ নকৰিলে, তাইৰ পথ ৰুদ্ধ কৰা। তাইক আহিবলৈ নিদিবা।'

ভিক্ষুসকলেও সমবেত কণ্ঠে তাকেই দোহাৰিলে - 'নিদিবা, নিদিবা আহিবলৈ এই উলংগিনীক - ছিঃ ছিঃ কি লজ্জা, কি বিড়ম্বনা।'

উপাসকসকলৰ উত্তেজনা আৰু বেছি, 'তথাগতৰ মণ্ডলমালত নগ্নিকা ! ছিঃ ছিঃ খেদি দিয়া তাইক -' এই বুলি দুই এজন উঠি সেই নাৰীৰ ফালে আগেই বাঢ়িলে। তেনেতে শুনা গ'ল বুদ্ধৰ কণ্ঠস্বৰ।

'আয়ুষ্মান আনন্দ।'

সকলো নিজম পৰে। আকৌ সেই কণ্ঠস্বৰ :

'ভিক্ষুসকল !'

ভিক্ষুসকল সষ্টম হয়। বুদ্ধই ক'লে :

'বুদ্ধৰ দুৱাৰত অৰ্গল থাকেনে ? বুদ্ধৰ দুৱাৰ কাৰোবাৰ বাবে ৰুদ্ধ হয় নে - হ'ব পাৰেনে ?'

সকলোৱে একেবাক্যে কোৱাদি ক'লে, 'নোৱাৰে ভগৱান'। আনন্দই কওঁ নকওঁকৈ ক'লে, "ভগৱান অৰহত সম্মাসম্বুদ্ধৰ দুৱাৰ কাৰো বাবে ৰুদ্ধ নহয় সঁচা - কিন্তু এই নাৰীয়ে বিবসনা, উলংগ –'

বুদ্ধৰ মুখত এইবাৰ অদ্ভুত এটা হাঁহি।

'আমাৰ এই বেশ-ভূষাৰ তলত, আমাৰ ত্ৰিচীৱৰ সংঘাটিৰ তলত আমাৰ দেহো উলংগ, আনন্দ ! আনন্দ, মনৰ চকুৰে আৰু ভিতৰলৈ চোৱা - চীৱৰৰ তলত

আমাৰ চৰ্ম, চৰ্মৰ তলত মাংস, তাৰ ভিতৰত শোণিত, মেদ - তাৰো তলত হাড়ৰ জুমুধি - তাৰ ভিতৰত আকৌ মল-মূত্ৰ-’

আনন্দই তলমূৰ কৰিলে। দেহৰ অনিত্যতাৰ ধ্যান এই অশুভ ভাৱধাৰাৰেই প্ৰতিস্থিত কৰিব লাগে বুলি তেওঁ জানে। তথাগতই আগতেও কয় – ‘এই দেহ হাড়ৰ নগৰ, তাত মাংস-শোণিতৰ লেপন, চৰ্মৰ আৱৰণ - তাৰ ভিতৰত বাস কৰে অজ্ঞতা আৰু অহংকাৰ। সকলো সঁচা। তথাপি - !’

আনন্দই প্ৰায় হতাশ হোৱা দিয়েই ক’লে, ‘ভগৱান ! আপোনাৰ নিৰ্দেশমতেই ভিক্ষুৱে ধাৰণ কৰে ত্ৰিচীৱৰ - শালীনতা আৰু শীতাতপ নিবাৰণৰ বাবে, উপাসকে বস্ত্ৰ। নিগন্থ নাথপুত্ৰই দিগম্বৰ হৈও ধৰ্ম পালন কৰিব পৰা বুলি কোৱা কথাৰ বিৰোধিতা তথাগতে নিজেই কৰিছে। তেনে অৱস্থাত - ভগৱান, এই নাৰী যে উলংগ, অশালীন এই নগ্নিকা ৰূপ। তাৰ উপৰিও আমি দিয়া বস্ত্ৰও তাই গ্ৰহণ নকৰিলে।’

বুদ্ধই সেই একেটা নিৰ্বিকাৰ কণ্ঠেৰে কৈ গ’ল, ‘তোমালোকে তাইক বস্ত্ৰ দিব খুজিছিলা তোমালোকৰ প্ৰয়োজনত, তোমালোকৰ শালীনতাৰ বাবে - তাই নিজৰ বাবে বস্ত্ৰ প্ৰয়োজন বোধ কৰা নাই। তাই প্ৰয়োজন বোধ কৰিলে নিশ্চয় বস্ত্ৰ গ্ৰহণ কৰিব।’

আনন্দই আগৰ দৰেই বিব্ৰতভাৱে ক’লে, ‘ভগৱান, ঠিক নুবুজিলোঁ.....।’ বুদ্ধই মৃদু হাঁহিৰে ক’লে, ‘এই নাৰীৰ এতিয়া বস্ত্ৰৰ প্ৰয়োজন নাই, কাৰণ তাইৰ সংজ্ঞা নাই। তাইৰ নগ্নতাই তোমালোকৰ অহমিকা - যাক তোমালোকে শালীনতা বুলিছা - সেই অহমিকাকেই কষ্ট দিছে। তাই নিজে একো অনুভৱ কৰা নাই। তাই প্ৰয়োজন বোধ কৰিলেই বস্ত্ৰ পৰিধান কৰিব... হয়তো সেই বস্ত্ৰ তাইৰ আগৰ বস্ত্ৰ নহ’ব..... ।’

আনন্দৰ বাবে বুদ্ধ অতি প্ৰিয়, আৰু অভ্ৰান্ত। তথাপি বুদ্ধক যেন তেওঁ ঠিক বুজিব নোৱাৰে মাজে মাজে। এবাৰ ভাবিলে, বুদ্ধক ক’ব নেকি যে তেওঁ ইয়াত দেৱদত্তৰ চক্ৰান্ত আছে বুলি ভাবে ! ওহো, লোকবিদু সম্মাসম্বুদ্ধই সেইবোৰ নিজেই

বুজিব। গতিকে তেওঁ ক’লে, ‘হয় ভগৱান, তাই উন্মাদিনী..... মাৰে তাইক উন্মাদিনী কৰিছে।’

বুদ্ধই হাঁহিলে, অশুভ কিবা হ’লেই ‘মাৰ’ৰ কথা ভবাটো তেওঁৰ এই প্ৰিয় শিষ্যৰ এটা অভ্যাসেই হৈছে... দৰাচলতে মাৰৰ প্ৰভাৱ হয়ে.... মাৰ তৃষ্ণাৰ ৰূপ...। তেওঁ আনন্দক ক’লে, ‘উন্মত্ততা এটা ব্যাধি, আনন্দ। মনত ৰাখিব লাগিব তাই নাৰী, তাই মানুহ।’

তেনেতে মণ্ডলমালত আকৌ উত্তেজনা। ভুনভুননিৰে প্ৰকাশ হ’ল ভীষণ আপত্তি... উন্মাদিনীয়ে মণ্ডলমালত প্ৰৱেশ কৰিলেহি...।

বুদ্ধৰ কণ্ঠস্বৰ গম্ভীৰ হৈ সেই গুঞ্জনৰ উৰ্ধত ধ্বনিত হ’ল, ‘বাধা নিদিবা.. এওঁ আহক...’ তাৰ পিছত সেই উন্মাদিনীৰ শিল যেন থৰ চকুলৈ চাই ক’লে, ‘এ’হি ৱহিনী, - আহা ভগিনী।’

শব্দৰ যেন যাদু আছে। বহিনী... ভগিনী... বুদ্ধৰ মুখৰ এই শব্দটোত সেই বলিয়া মানুহজনী যেন চক খাই উঠিল ! তাইৰ মুখৰপৰা ওলাল.... ‘ৱহিনী.. ভগিনী।’ তাৰ পিছত তাইৰ চকু বুদ্ধৰ চকুত পৰি থৰ হৈ গ’ল - ইয়াৰ আগতে যেন তাইৰ চকুত দৃষ্টি আছিল, কিন্তু সেই দৃষ্টিয়ে দেখা সকলো বস্তু আছিল নিৰৰ্থক। এইবাৰ তাইৰ চকু বুদ্ধৰ চকুত ৰৈ গ’ল - তাই যেন দেখিলে, কিবা দেখিলে।

‘তুমি ? তুমি কোন ? মই, মই কোন ?’ - তাই শান্তভাৱে অথচ প্ৰশ্নৰ ভাৱ নোহোৱাকৈ এটা প্ৰশ্নবোধক বাক্য ক’লে, ‘তুমি কোন ?’

ভিক্ষুসকলে যেন সকাহ পালে, তেওঁলোকে গহীন সুৰত এইদৰে ক’বলৈ আৰম্ভ কৰিলে, ‘পৰম কাৰুণিক লোকবিদ্ ভগৱান অৰহত সম্মাসম্বুদ্ধই তোমাৰ লগত কথা পাতিছে, নাৰী।’

সেইবোৰ কথা যেন তাইৰ কাণ মন একোতেই নোসোমাল। তাইৰ চাৰিওফালে দৰাচলতে শূন্য, একো নাই। কেৱল তাইৰ চকুৱে চাই আছে আৰু দুটা চকুলৈ - বুদ্ধৰ চকুলৈ। বুদ্ধই ক’লে, ‘তুমি যি, ময়ো সেয়েই ভগিনী। তুমি কোন

সেইটো এবাৰ ভাবাচোন - তোমাক চিনি পালেই মোকো চিনি পাবা -’

সেই নাৰী কিছুপৰ থৰ হৈ থাকিল। অসংলগ্নভাৱে - কিবা-কিবি কথা মুখৰপৰা ওলাবলৈ ধৰিলে – ‘মই – তুমি – মই - মোৰ পিতা –’ এইবুলি চিঞৰ মাৰি তাই এবাৰ চাৰিওফালে চালে। এইবাৰ যেন শূন্যতা নাই। ধোঁৱাৰ কুঁৱলীৰ মাজেৰে কিছুমান আকৃতি, কিছুমান চিনাকি ৰূপ - মানুহৰ মুখ। এবাৰ তাই নিজৰ ফালে চাই তৎক্ষণাৎ মাটিত কুচিমুচি হৈ পৰিল আৰু হাতেৰে নিজৰ বাহু আৰু বুকুখন ঢাকিবলৈ যত্ন কৰিলে।

বুদ্ধই আনন্দৰ ফালে চাই ক’লে, ‘আয়ুষ্মন আনন্দ, এওঁৰ এতিয়া বস্ত্ৰৰ প্ৰয়োজন হৈছে - আমাৰ বাবে নহয়, তেওঁৰ নিজৰ বাবেই।’

সেই ধূলি ধুসৰিত উলংগ দেহত আনন্দই এখন কাপোৰ দিলে। তাই কাপোৰখন গাত মেৰিয়াই লৈ কান্দিবলৈ ধৰিলে - তাৰ পিছত আকৌ কিছুমান অসংলগ্ন কথা... ‘সাপ... সাপ, নদীৰ দৰে সাপ.. শেন চৰাই – শেন - সঁজাৰ মইনা - মোৰ সন্তান শেন চৰাই - ছুঃ ছুঃ –’

ভিক্ষুসকলে কোৱা-মেলা কৰিলে, ‘তাইৰ চেতনা আহিছে, সংজ্ঞা অহা নাই... কিবা বলকিছে তাই।’

বুদ্ধৰ কণ্ঠস্বৰ আকৌ শুনা গ’ল, ‘মই, বুদ্ধই দ্বিতীয়বাৰ কৈছোঁ, ভগিনী - তুমি সংজ্ঞাপ্ৰাপ্ত হোৱা।’

তাই আকৌ বুদ্ধৰ মুখলৈ চালে - ধোঁৱাৰ মাজত এজন মানুহ - কি প্ৰশান্ত মুখ ! কি গভীৰ কণ্ঠস্বৰ ! তাৰ পিছত চাৰিওফালৰ মুখবোৰলৈ চালে - কি উদ্‌গ্ৰীৱ, কি প্ৰশান্ত মুখবোৰ... !

‘কোৱা, কোৱা, কোন তোমালোক, কোন ?’

আনন্দই গম্ভীৰ সুৰে ক’লে, “এয়া লোকবিদু পৰম কাৰুণিক ভগৱান অৰহত সম্মাসম্বুদ্ধ। আমি তথাগতৰ অনুগামী ভিক্ষুসংঘ। কোৱা তুমি কোন ?’

তাই এইবাৰ নিজৰ চুলিকোছা কপালৰপৰা আঁতৰালে। তাইৰ কথাবোৰ যেন আধা প্ৰলাপ আধা সাংকেতিক – ‘মই ? মই - - মই কোন ? মই ক’ত ? এয়া

অৰণ্য, নদী, এয়া ধোঁৱা, গোহালিত গধূলিৰ ধোঁৱা... চিতা - চিতা, এটা, দুটা, তিনিটা চিতাৰ ধোঁৱা।’

বুদ্ধই যেন তেওঁৰ কথাৰে সেই নাৰীৰ মনলৈ অহা ছবিবোৰ জোকাৰি ঠিক ঠাইতে খাপ খুৱাই দিব... বুদ্ধই ক’লে, ‘মই বুদ্ধই তৃতীয়বাৰ কৈছোঁ - ভগিনী, তুমি সংজ্ঞাপ্ৰাপ্ত হোৱা - স্মৃতি জগাই তোলা - ভাবা, ভাবা -’

সেই ধূলি ধূসৰিতা নাৰীয়ে আকৌ এবাৰ বুদ্ধৰ চকুত চকু থ’লে। বুদ্ধৰ চকুত কৰুণা, তাইৰ চকুত কাতৰতা।

‘হে মানুহ। তুমি যিয়েই নোহোৱা, তুমি মোক এই ধুঁৱলি-কুঁৱলীৰপৰা লৈ যোৱা....।’ তাৰ পিছত তাইৰ মুখত এটা যন্ত্ৰণাকাতৰ হাঁহি ফুটি উঠিল – ‘তুমি মোক লৈ গৈছা - মই উভতি গৈছোঁ, মই উভতি গৈছোঁ।’

ভিক্ষুসংঘ আৰু উপাসক বৃন্দৰ মুখত মৃদু আনন্দৰ গুঞ্জন : ‘এওঁৰ স্মৃতি জাগ্ৰত হৈছে ভগৱান। এওঁৰ বাক্যৰ এতিয়া অৰ্থ আছে যেন লাগিছে।

বুদ্ধই আনন্দৰ ফালে চাই ক’লে, ‘আনন্দ, সংঘ স্থবিৰা মহাপজাপতী গোতমীৰ দায়িত্বত এই ভগিনীক থৈ আহাগৈ - দেহ আৰু মনৰ বিশ্ৰামতহে প্ৰলাপ স্মৃতিলৈ ৰূপান্তৰিত হয় - আৰু স্মৃতিৰ পথেই নিৰাময়ৰ পথ। বিশ্ৰাম আৰু আহাৰৰ অন্তত আমি তেওঁক জানিম, আৰু তেৰোঁ তেওঁক আৰু হয়তো আমাকো জানিব।’

আনন্দই সংঘ পৰিচালনা কৰিব লাগে। গতিকে তেওঁ কিছুমান নিয়ম-নীতিৰ মাজেৰে চলিব খোজে। তদুপৰি ভগৱান বুদ্ধ তেওঁৰ আত্মীয়। গতিকে আনন্দই দায়িত্বৰ কথা ভাবিয়েই যেন ক’লে :

‘এওঁৰ পৰিচয়, ভগৱান ?’

‘এওঁ শ্ৰামনেৰী ৰূপেই থাকিব। এওঁৰ অতীত হেৰাই গৈছে। নাই। এওঁৰ আশ্ৰয় বৰ্তমান আৰু ভৱিষ্যত।’

আনন্দ যেন সন্তুষ্ট নহ’ল।

‘নাম, ভগৱান ?’

‘এওঁৰ অতীত নাম নিষ্প্ৰয়োজন। এওঁ পটাচাৰা ৰূপে খ্যাত হ’ব। পট্ট আচৰা - ভৱযন্ত্ৰণাত যাৰ কঁকালৰ বস্ত্ৰও খহি পৰিছিল।’

# ॥ দুই ॥

মহাপজাপতী গোতমীৰ শুশ্রুষাত পটাচাৰা যেন ক্রমে সুস্থ হৈ আহিল। লাহে লাহে তেওঁৰ কথাবোৰ এটা এটাকৈ মনত পৰিবলৈ ধৰিলে - কিন্তু, সেইবোৰ তথাপি সংলগ্ন, অৰ্থবহ স্মৃতি যেন নহয়। একো একোখন ছবি আহি হেৰাই যায়, এখন ছবিৰ ওপৰলৈ আৰু এখন ছবি আহি খেলিমেলি লগাই দিয়ে।

মহাপজাপতী গোতমীয়ে ক'লে, 'কোৱা পটাচাৰা, তোমাৰ কাহিনী কোৱা। তোমাৰ সম্পূর্ণ স্মৃতি এবাৰ জগাই তুলি একেবাৰে বিসৰ্জন দিয়া। মাথোন এটা কথা জানিব, তথাগতই কয়, যি শোকত তুমি কাতৰ হোৱা সেই শোক আজিৰ নহয়। সকলো কালৰ। তোমাৰ নহয়, সৰ্বমানৱৰ।'

সেই নাৰী, যি এতিয়া নিজক পটাচাৰা ৰূপেই চিনি পাইছে - তেওঁ মহাপজাপতী গোতমীৰ ফালে চাই ক'লে, 'অজ্জে – মোৰ মনটো এতিয়াও ডাৱৰেৰে ঢকা - মাজে মাজে যেন একোটা সুৰুঙাৰে একোটা চমক মাথোন দেখোঁ - মোৰ এটা নাম আছিল - তোমালোকে দিয়া নামৰ আগতে আৰু এটা নাম।' পটাচাৰাই দেখিলে :

এন্ধাৰ নামি আহিছে। আকাশত ডাৱৰ। বৰষুণ পৰিব এতিয়াই। তাই কোলাত কেঁচুৱা এটা লৈ বহি আছে এখন অৰণ্যত, বৰষুণ আহিব এতিয়াই। তাই কিয় বাৰু অৰণ্যত বহি আছে অকলে... তাই কিয় আহিল এই অৰণ্যলৈ। তাইৰ মনত পৰিল - তাই আশা কৰিছিল তাইৰ দ্বিতীয় সন্তানটো অন্ততঃ পিতৃগৃহত হ'ব। তাই তাইৰ স্বামীক কৈছিল, তাই পিতৃগৃহলৈ যাব, তাতে তাই মাক-দেউতাকৰ কাষতে থাকিব... স্বামীও থাকিব।

'ব'লক, আমি পিতাৰ কাষলৈ ঘূৰি যাওঁগৈ। এই বিদেশত অকলে ঘৰ-সংসাৰ চলোৱাটো কিমান টান ! দেউতাই মোক ক্ষমা কৰিবই.... আয়ে ? আয়েতো কৰিবই - অকমাণ এই পোনাটোক, নিজৰ নাতিয়েকক কোলাত ল'বলৈ পালেই আয়ে সকলো পাহৰি যাব।'

কিন্তু তাইৰ স্বামী মান্তি নহ’ল। তাই এতিয়াও যেন স্বামীৰ বিষন্ন মুখখন দেখিলে। তাইৰ স্বামীয়ে শহুৰেকৰ ঘৰলৈ যাবলৈ সাহ নকৰে, তাই অকলেই যাব বুলি ওলাই আহিল। স্বামীক একো নক’লে। মাত্র ওচৰৰ মানুহখিনিক কৈ আহিল তাই পিতৃগৃহলৈ গ’ল বুলি, যাতে তাইৰ স্বামীক কোৱা হয়।

তাই এতিয়া অৰণ্যখনত। অৰণ্য পাৰ হ’লেই নদী। নদীৰ সিপাৰে পথ। সেই পথেৰে গ’লেই শ্ৰাৱস্তী... তাইৰ পিতৃগৃহ।

হঠাৎ বনৰীয়া জন্তুৰ মাতত তাই চকখাই উঠে। তাই ভাবিছিল দিনৰ পোহৰ থাকোঁতেই অৰণ্যখন পাৰ হ’ব। নদী এতিয়া শুকান, সহজেই পাৰ হৈ যাব পাৰিব।

কিন্তু, তাইৰ কাষত তাইৰ প্ৰথম সন্তান। গৰ্ভৰ ভিতৰত দ্বিতীয় সন্তানটোৱে ছট্‌ফটাইছে, তাৰো অহাৰ সময় আসন্ন। স্বামীক এনেকৈ একো নোকোৱাকৈ গুচি অহাটো ভুল হ’ল নেকি ? তাইৰ প্ৰথম সন্তানটো জন্ম হৈছিল এই অৰণ্যত। তাই এতিয়াও ভাবে, আশা কৰে তাইৰ স্বামী তাইক বিচাৰি অৰণ্যলৈ আহিবই। তেওঁ জানে তাই যে কামনা কৰে তাইৰ দ্বিতীয় সন্তান জন্ম হওঁক পিতৃগৃহত। তাইৰ দৃঢ় আশা - তাইৰ স্বামী আহি পাবই আৰু সিহঁত যাবগৈ শ্ৰাৱস্তীলৈ... মাক-দেউতাকে নাতিৰ মুখ দেখিব, জোঁৱায়েকক গ্ৰহণ কৰিব।

অৰণ্যৰ গভীৰ হৈ অহা অন্ধকাৰতে তাই শুনিলে – ‘সোণা, সোণা’ - তাইৰ স্বামীৰ মাত।

হঠাৎ তাই যেন খক্‌মককৈ সাৰ পাই উঠিল ! দেখিলে মহাপজাপতী গোতমীয়ে কৰুণা ভৰা দৃষ্টিৰে তাইলৈ চাই আছে।

‘তোমাৰ আধা সপোন আধা জাগৰণত কোৱা কথাবোৰৰ পৰাই মই বুজিছো, তোমাৰ হৃদয় দাৰুণ ভৱযন্ত্ৰণাত কাতৰ ! তুমি পাৰা যদি শুই থাকা... তোমাৰ চিত্তই শান্তি পাওঁক, তোমাৰ স্মৃতি আৰু স্পষ্টতৰ হওঁক।’ এই বুলি মহাপজাপতী গোতমী নিজ কক্ষলৈ যাবলৈ ওলাল।

পটাচাৰাই ক’লে, ‘অজ্জে, মোৰ অকলে ভয় লাগে।’

গোতমীয়ে ক’লে, ‘তথাগতই কয়, প্ৰেমৰপৰাই শোক জন্মে, প্ৰেমৰ পৰাই ভয় জন্মে। প্ৰেমৰপৰা মুক্ত হ’লেই শোকো নাই, ভয়ো নাই।’

ভূমি শয্যাত শায়িতা শ্ৰামনেৰীৰ টোপনি ভাঙি গ’ল, নে টোপনিতে এটা সপোন দেখিলে তাই ক’ব নোৱাৰে। তাই দেখিলে তাই সেই অৰণ্যত। ওচৰত কেঁচুৱাটো আৰু পেটত অসহ্য যন্ত্ৰণা.... নৱজাত শিশু এটিৰ আহিবৰ বাবে নিকৰুণ প্ৰচেষ্টা।

তাইক তাইৰ স্বামীয়ে মাতিছেহি, ‘সোণা, মোক নোকোৱাকৈ এনে অৱস্থাত, এনেকৈ গুচি আহিলা কিয় ?’ তাইৰ মনলৈ আহিল, তাইৰ নাম যে সোণা। তাই ক’লে, ‘মই আপোনাক কৈছিলোঁ, অন্তত মোৰ দ্বিতীয় সন্তানটো মোৰ পিতৃগৃহত জন্মিব লাগিব। আপুনিতো আজি-কালি কৈ পিছুৱাই থাকিল।’

‘সোণা, পিতাৰাৰ আদৰৰ জীয়াৰী তুমি। মোৰো ইচ্ছা যায়, তুমি পিতাৰাৰ ঘৰলৈ এবাৰ যোৱা... কিন্তু তুমিতো জানাই মই কিয় তোমাৰ দেউতাৰাৰ ঘৰলৈ যাব নোৱাৰোঁ -’

সোণাই ক’লে, ‘পিতাই আপোনাক একো নকয় - একো নকৰে। কিয় চিন্তা কৰে আপুনি ?’

‘তুমি তোমাৰ পিতাৰাৰ কন্যা, সেইটো তেজৰ সম্বন্ধ। তুমি সদায়েই কন্যা হৈ থাকিবা - কিন্তু মই ?’

‘কিয়, আপুনি জানো তেওঁৰ জোঁৱাই নহয় ? জামাতা জানো পুত্ৰতুল্য নহয় ?’

‘তুল্য, কিন্তু পুত্ৰতো নহয় – আৰু...’

‘আৰু কি ? নকয় কিয় ? কওঁক - সিবাৰো মোৰ প্ৰথম সন্তানৰ জন্মৰ সময়তে আপোনাক কৈছিলোঁ মোক পিতাৰ তালৈ লৈ ব’লক। কিন্তু আপুনি ভাবি-চিন্তিয়েই দিনবোৰ কটাই দিলে।

‘আৰু তুমিও এনেকৈয়ে ওলাই আহিলা। মই কোনোমতে আহি পাই তৃণেৰে আচ্ছাদন কৰি তোমাৰ সুতিকা গৃহ সাজি দিলোঁ অৰণ্যতে। ইয়াতেই আমাৰ

পোনাটিৰ জন্ম হ’ল। তাৰ পিছত আমি আকৌ আমাৰ কৰ্মস্থলী কুশিনাৰালৈ উভতি গ’লো।’

‘এইবাৰ কিন্তু নহ’ব। আমাৰ সন্তানৰ জন্ম হ’ব মোৰ পিতৃগৃহত। আপোনাক পিতাই গ্ৰহণ কৰিবই - মই জানো।’

তেনেতে হঠাৎ মেঘে গাজিলে। সোণা সাৰ পাই উঠি আকৌ পটাচাৰা হৈ গ’ল। ভিক্ষুণী সংঘৰ এটা কক্ষত শুই আছে পটাচাৰা - নে সোণা ?

বাহিৰত বৰষুণ পৰিছে !

তন্দ্ৰাৰ আৱেশত পটাচাৰ আকৌ সোণা হৈ গ’ল। সেই অৰণ্যত আকৌ সোণাই শুনিলে তাইৰ স্বামীৰ মাত :

‘আকাশত মেঘে গাজিছে - হয়তো অলপ পাছতে বৰষুণ দিব।’

‘এতিয়া কি কৰোঁ ?’

সোণাই ক’লে, ‘আপুনি ইমান কৰ্মী মানুহ। আপুনি থাকিলে মোৰ একো চিন্তা নালাগে। বেলি এতিয়াও বহা নাই। সৌৱা মেঘৰ ফাঁকেদি ৰ’দ – আমি...’

‘এতিয়া আৰু কুশিনাৰালৈ উভতি যাব নোৱাৰিম।’

‘মই কুশিনাৰালৈ উভতি নাযাওঁ। মই শ্ৰাৱস্তীলৈ যাম। শ্ৰাৱস্তীলৈ - পিতাৰ তালৈ।’

‘তালৈকো যাব নোৱাৰিবা সোণা, বাট বহুদূৰ।’

‘আজি তেন্তে ইয়াতেই থাকিম। কেনেকৈ থাকিম, নাজানো। আপুনি স্বামী, আপুনি উপায় কৰক।’

সোণাৰ স্বামীৰ মুখত উদ্বেগ, অলপ পাছতে বৰষুণ আহিব। এই তৃণভূমিত লুকাব পাৰি, বৰষুণত আশ্ৰয় ল’ব নোৱাৰি। তাৰ পিছত কোমল মাতেৰে ক’লে, ‘বাৰু কাইলৈৰ কথা কাইলৈ হ’ব। আজি ৰাতিটো থকাৰ মই ব্যৱস্থা কৰোঁ। আচ্ছাদনৰ বাবে তৃণ আছেই - সৌ বাঁহনিৰপৰা দুডালমান গছৰ ডাল আনি... সেই

পৰ্ণকুটিৰতে ৰাতিটো থাকি....।' সোণাৰ আনন্দিত কণ্ঠস্বৰ : '...কাইলৈ প্ৰত্যুষতে শ্ৰাৱস্তীলৈ যাম – শ্ৰাৱস্তীলৈ। কুশিনাৰালৈ নহয়।' স্বামীৰ কণ্ঠত কৌতুক : 'সেইটো বাৰু হ'ব, পিছে আগন্তুকৰ খবৰ কি ? '

সোণাৰো আনন্দসনা উত্তৰ : 'আগন্তুক আহোঁ আহোঁকৈ আছে - মই কিন্তু পিতাৰ ঘৰতহে তেওঁক আদৰণি জনাম -'

তেনেতে আকৌ মেঘে গৰ্জিলে। অৰণ্যত আৰু শ্ৰাৱস্তীত। অৰণ্যত সোণাৰ স্বামী অৰণ্যৰ মাজলৈ সোমাই গ'ল। আৰু শ্ৰাৱস্তীত সোণা –

অলপ পিছতে ডাৱৰৰ মাজেৰে শ্ৰাৱস্তীত সূৰ্য অস্ত গ'ল। ৰাতিৰ অৰণ্যখন সোণাৰ বুকুৰ মাজলৈ যেন সোমাই গ'ল।

# ॥ তিনি ॥

মহাপজাপতী গোতমীয়ে আনন্দলৈ বতৰা পঠিয়ালে। নতুন শ্ৰামনেৰী এতিয়া সুস্থ। তেওঁৰ বিষয়ে কি কৰিব লাগিব সেইটো যাতে গৌতমক সুধি জানি আহে। মহাপজাপতী গোতমীৰ স্তন্যপুষ্ট শিশু আছিল গৌতম। তেওঁ এতিয়া বুদ্ধ হ'ল। গোতমী ভিক্ষুণী সংঘৰ মুখ্যা – স্থবিৰা। গৌতমেতো নাৰীক সংঘত প্ৰৱেশৰ অনুমতিকে দিয়া নাছিল। আনন্দৰ নেৰা-নেপেৰা যত্নত দ্বিধাৰ ভাৱেৰেই বুদ্ধই মাহীমাকক দীক্ষা দিছিল। কিন্তু এতিয়াও মাজে মাজে তেওঁৰ মাতৃত্বৰ ভাব জাগি উঠিব খোজে - ভগৱানক কেতিয়াবা গৌতম নামেৰেও উল্লেখ কৰে। আনন্দই ভিক্ষুণী সংঘৰপৰা অহা বতৰা বুদ্ধক দিলেগৈ। কোনো ভিক্ষুণী উপযাচি ভিক্ষুৰ ওচৰলৈ আহিব নোৱাৰে। সংঘ স্থবিৰ আৰু সংঘ স্থবিৰাৰ যোগেদিহে কথা-বতৰা হ'ব পাৰে।

বুদ্ধই অদীক্ষিতা শ্ৰামনেৰী পটাচাৰাক গন্ধকুটিত উপস্থিত কৰাবলৈ নিৰ্দেশ দিলে।

গন্ধকুটি হ'ল বুদ্ধৰ বাসগৃহ। তাতেই বুদ্ধদেৱে শীল, সমাধি আদি আচৰণ কৰে। তাতেই তেওঁৰ ধ্যান, বিশ্ৰাম। সেই গৃহত নাই কোনো অলংকৰণ, নাই কোনো পুষ্পসজ্জা। পুষ্প উদ্যানত থাকিব পাৰে। গৃহত নহয়। গন্ধকুটিত কোনো গন্ধ নাই – সুগন্ধও নাই, দুৰ্গন্ধও নাই। মালা-চন্দন-গন্ধ সকলো বৰ্জনীয় বস্তুৰ তালিকাত। উদ্যানৰ মাজত বুদ্ধৰ বৰ্চ গৃহ। বৰ্চগৃহ হ'ল মল-মূত্ৰাদি পৰিত্যাগৰ ব্যৱস্থা থকা ঘৰ। সম্ভৱতঃ আধুনিক 'Pit Latrine'ৰ দৰে তাৰ নিৰ্মাণ পদ্ধতি। কোনো গোন্ধ-ভাপ নাই। এবাৰ ৰাহুলে পিতাকক দেখা কৰিবলৈ আহি পিতাকৰ বৰ্চগৃহতে ৰাতি কটাইছিল। বৰ্চগৃহত কেতিয়াবা মল্লিকা ফুলৰ থোপা কোনো ভিক্ষুৱে থয় সম্ভাব্য দুৰ্গন্ধ দূৰ কৰিবৰ বাবে।

মহাপজাপতী গোতমীয়ে পটাচাৰা নামৰ অদীক্ষিতা কন্যাটিক লৈ গন্ধকুটি পালেহি। দুদিন আগৰ সেই উলংগিনী, উন্মাদিনী এতিয়া যেন শান্ত, সংহত।

মহাপজাপতী গোতমীয়ে যোৱা দুদিনৰ বৰ্ণনা দিলে - যেন আধুনিক যুগৰ অবৰ চিকিৎসকে প্ৰবৰ চিকিৎসকক ৰোগীৰ বিকাৰৰ বৰ্ণনাহে কৰিছে।

‘এতিয়া তেওঁ শান্ত। তথাগতে যি ইচ্ছা কৰে সেইমতেই হ’ব।’ – এই বুলি গোতমীয়ে কথা শেষ কৰিলে। বুদ্ধই পটাচাৰাৰ চকুলৈ চালে। বুদ্ধৰ মনলৈ আহিল - এই দৃষ্টি দেখাত শান্ত, কিন্তু ভিতৰত দাৰুণ উত্তেজনা, ক্ষোভ, বেদনা। যেন নিস্তৰংগ বিশাল নদী, অন্তঃস্ৰোতেৰে বিক্ষুব্ধ। বুদ্ধই বুজিলে - তেওঁৰ স্মৃতি হয়তো আহিছে, কিন্তু তাত এতিয়াও বহুতো ছাঁ পোহৰৰ – খেলা ! একেবাৰে নিকৰুণভাৱে তেওঁৰ হৃদয় উন্মুক্ত হ’ব লাগিব - নহ’লে আকৌ মানসিক বিশৃংখলাৰ বলি হৈ পুনৰ উন্মাদ হৈ যাব পাৰে৷ বুদ্ধই শান্তভাৱে ক’লে, ‘পটাচাৰা। তোমাৰ স্মৃতিৰ দাপোন এতিয়াও স্বচ্ছ হোৱা নাই। তুমি কৈ যোৱা, তোমাৰ বিষয়ে তুমি কি জানা কৈ যোৱা.... ’

আগনিশা দুঃস্বপ্নৰ দৰে মনলৈ অহা কথাবোৰ কৈ পটাচাৰাই অলপ দীঘলকৈ উশাহ এটা ল’লে।

মানুহৰ যন্ত্ৰণাময় জীৱনৰ কল্পব্যাপী অভিজ্ঞতাৰে পূৰ্ণ বুদ্ধৰ প্ৰজ্ঞা। কত মানুহৰ কত যন্ত্ৰণা তেওঁ অনুভৱ কৰিছে, সেইবোৰ নিজৰ যন্ত্ৰণা বুলি তেওঁ গ্ৰহণ কৰি গৈ আছে। এনে কোনো পাপ নাই যাৰ পৰা মানুহৰ মুক্তি নাই। কেৱল কোনো বাহিৰা শক্তিৰ দয়া-কৰুণাই সেইবোৰ খণ্ডন কৰিব নোৱাৰে। আংগুলিমাল দস্যু, তেওঁৰ ৰোমহৰ্ষক কাহিনী সকলোৱে জানে। কিন্তু এনে কিছুমান পাপ আছে য’ত বীৰত্ব নাই, ধ্বংস নাই, কেৱল গ্লানি।

এগৰাকী ভিক্ষুণী আছে যি নিজৰ কন্যাৰ সতিনী হৈছিল নিজৰ কাম তৃষ্ণাত... তায়ে আজি সোতাপন্ন। তাইৰ নিৰ্ধনৰ বাবে মাত্ৰ আৰু কেইটামান জন্ম। পাপত নৰক ভোগৰ প্ৰশ্ন নাই, বাৰে বাৰে জন্ম মৰণৰ হাতৰ পুতলা হৈ থাকি কষ্ট পাব লাগে।

বুদ্ধই পটাচাৰাৰ চকুলৈ চাই ক’লে, ‘কৈ যোৱা ভগিনী, হৃদয় পাতল কৰা.... এনেকৈ কৈ যোৱা যেন তুমি আনৰ কথাহে কৈছা। কাৰণ যন্ত্ৰণা ভোগ

কৰাত তুমিয়েই অকল নহয় - তোমাৰ যন্ত্ৰণা তৃষ্ণাকাতৰ মানুহৰ যন্ত্ৰণা।' অলপ পৰ তভক মাৰি ৰৈ পটাচাৰাই কৈ গ'ল :

'ভগৱান, মোক আৰু পোনাটিক থৈ স্বামী অৰণ্যত সোমাল। আকৌ এবাৰ মেঘগৰ্জন হোৱাৰ লগে লগে মোৰ প্ৰসৱ বেদনা আৰম্ভ হ'ল। অধৈৰ্য হৈ মই স্বামীলৈ বাট চালোঁ।.... তেওঁ নাহিল। অলপ পাছতে মোৰ আৰু এটি পুত্ৰৰ জন্ম হ'ল। তীক্ষ্ণতৃণ আনি কোনোমতে নাভিসংস্কাৰ কৰিলোঁ। তাৰ পিছত আকৌ উদ্বেগেৰে বাট চাই থাকিলো। পিয়াহত মোৰ অণ্ঠ-কণ্ঠ শুকাই গ'ল। তাৰপিছত আহিল মুষলধাৰে বৃষ্টি ! মই চিঞৰিলো, 'স্বামী, স্বামী ! অভয়, অভয় !' মোৰ স্বামী হোৱাৰ আগতে তেওঁক মই নাম কাঢ়িয়েই মাতিছিলো, কাৰণ – কাৰণ..... '

'কৈ যোৱা ভগিনী, দ্বিধা নকৰিবা। তুমি মোক ক'ব নালাগে, তোমাকেই কোৱা। তোমাক ক'লেই মই শুনিম।'

'সেই কাৰণটোৱেই আছিল মোৰ যন্ত্ৰণাৰ মূল '- পটাচাৰাই ক'লে। বুদ্ধই ক'লে, 'যন্ত্ৰণা যেনেকৈ আছে, যন্ত্ৰণাৰ উৎসও আছে, ভগিনী। উৎস যেতিয়া আছে তাৰ সমাপ্তিও আছে, সমাপ্তি যেতিয়া আছে উপায়ো আছে - কৈ যোৱা।'

'আগ যৌৱনত মই মোৰ স্বামীক নাম কাঢ়িয়েই মাতিছিলোঁ। আমাৰ ঘৰৰ সকলোৱে মাতিছিল। কাৰণ তেওঁ আমাৰ ঘৰতে বন-বাৰী কৰিছিল। হাতত কোৰ লৈ যেতিয়া অভয়ে উদ্যানত কাম কৰি থাকে.... তেওঁৰ সবল বাহুৰ মাংসপেশীবোৰ ৰ'দৰ পোহৰত জিলিকি এবাৰ উঠে, এবাৰ নামে - মোৰ বুকুখন কিবা চট কৰে উঠে ! কান্ধত শস্যৰ ভাৰ লৈ যেতিয়া তেওঁ আমাৰ পথাৰৰপৰা আহে তেওঁৰ খোজৰ ছন্দত মোৰ বুকুখনো কঁপি উঠে। মোৰ প্ৰতিও দেখা পাইছিলোঁ তেওঁৰ অসীম আগ্ৰহ - কাঁইটীয়া হাবিৰপৰা তেওঁ মোলৈ কেতেকী ফুল আনে - হয়তো সেই প্ৰীতি প্ৰভু কন্যাৰ প্ৰতি ভৃত্যৰ প্ৰীতিয়েই আছিল। এদিন মই কৈছিলো -'

পটাচাৰা ৰ'ল।

'কোৱা ভগিনী।'

'তেনেই তুচ্ছ কথা ভগৱান। মই কৈছিলো - 'অভয়, মোক সঁজা এটা লাগে

- মইনা এটা পুহিম।'

'মইনাটো ক'ত, আইদেউ ? '

'মইনা এতিয়া নাই, কিন্তু সঁজাটো নহ'লে মইনটো ক'ত থ'ম ?'

'মইনা নহ'লে সঁজাটোত কি থ'বা ?'

'মোক মইনাও লাগিব, সঁজাও লাগিব।'

'অভয়ে মোক সুন্দৰ এটা টুপলগা সঁজা সাজি দিলে। পৰ্বতৰ ওপৰৰ ওখ গছৰপৰা মইনা এটাও আনি দিলে।'

সৰল শিশুৰ দৰে কোৱা কথাখিনিত বুদ্ধৰ মুখতো হাঁহি বিৰিঙিছিল। কিন্তু পটাচাৰাই আকৌ দ্বিধা কৰিলে। অন্তঃস্ৰোত চাকনৈয়া হৈ তাইৰ মনত তোলপাৰ লগালে।

'শিশুৰ সাৰল্য যৌৱনে মচি নিয়ে, মই জানোঁ ভগিনী।'

পটাচাৰাই অনুভৱ কৰিলে তাইৰ মনৰ ভিতৰখন যেন বুদ্ধই দেখা পায়েই আছে। তাই যেন এখন পঢ়া কিতাপ, জনা কথা। কেৱল এতিয়া তাই নিজকেই ক'ব লাগে। পটাচাৰাই কৈ গ'ল। মন ডাঠ কৰি তাই দুখলগা কথা এটা সাধাৰণ কথাৰ দৰেই ক'ব খুজিলে। দুখ পোৱা ঠাইত সুৰসুৰাই দিও সকাহ পোৱা যায়।

'এদিন গধূলি পৰত মই ঘৰৰ শাক-পাচলিৰ বাকলিবোৰ গৰুৰ দানাৰ লগত দিবলৈ গোহালিলৈ গৈছোঁ - জাৰকালি, গোহালিত অভয়ে জাগ দি আছিল। ধোঁৱাবোৰ পাক খাই দুৱাৰেদি আৰু বেৰৰ ফাঁকে দি আকাশলৈ উৰি গৈছিল। গোহালি পোৱাৰ লগে-লগে বৰষুণ আহিল। মই গোহালিতে সোমালোঁ। তেওঁ জাগ দি আছিল। মই আধা তিতা গাৰে সেই ধোঁৱাৰ ওচৰতে বহিলো। তেওঁ উঠি যাব খুজিলে। তেওঁৰ উদং গা। মই তেওঁক হাতখনত ধৰি বহুৱাই দিলোঁ - জাৰ পাইছে চাগে বেচেৰাই। জাগৰ জুইকুৰাকে ভালকৈ জ্বলাই দি জাৰ গুচাওঁ বুলি খেৰ একোছা আনি জুইকুৰা ফুৰাই জ্বলাবলৈ চেষ্টা কৰিলোঁ। এইবোৰ কাম মোতকৈ অভয়ে ভালকৈ জানিছিল। তেওঁ জুইকুৰা ফুঁ মাৰি ভালকৈ জ্বলাই দিব খোজোঁতেই তেওঁৰ গালখন মোৰ গালত লাগিল। জ্বলি থকা জুইকুৰাতকৈও প্ৰবল উত্তাপ এটা

মোৰ দেহৰ ভিতৰপৰা আহি মোক মেৰাই ধৰিলে।’

‘অকপটে কৈ যোৱা ভগিনী, তোমাৰ স্মৃতি সম্পূৰ্ণ জাগ্ৰত হওক’ - বুদ্ধই ক’লে।

পটাচাৰাই লাহে লাহে ক’বলৈ ধৰিলে, ‘অভয় আৰু মোৰ মাজৰ সকলো দূৰত্ব নোহোৱা হৈ গ’ল। তাৰ পাছত, বৰষুণ এৰাৰ পাছত ধান-খেৰৰ দ’মটোৰপৰা উঠি মই ঘৰলৈ গ’লো - নিশা দাপোণ চাব নাপায়, তথাপি মই দাপোণত মোৰ মুখখন চালো। মোৰ বুকুখন ঢপঢপাই আছিল যদিও পাপৰ কোনো চিন যেন মোৰ মুখত নাছিল।’

তাৰ পিছত আমি ক্ৰমে ঘনিষ্ঠ হৈ আহিলোঁ.... ।

‘বিয়াৰ বয়স হৈছে বুলি পিতাহঁতে অ’ত ত’ত খা-খবৰ ল’লে। মোৰ বিয়া প্ৰায় ঠিকেই কৰা হ’ল। মই অভয়ক ক’লো - ‘অভয়, বলা তুমিয়ে ময়ে ইয়াৰপৰা গুচি যাওঁ।’

‘ক’লৈ যাবা সোণা ? আমি এনেকৈ গুচি গ’লে পিতাৰাৰ অসম্মান হ’ব। আৰু, ক’লৈ যাম আমি ?’ - অভয়ে ক’লে।

‘তেনেহ’লে ব’লা, আমি পিতাক কওঁ, মোৰ এই বিয়া বন্ধ কৰক ?’

‘সেইটো কেনেকৈ হব সোণা। তোমাৰ পিতাৰা সম্ভ্ৰান্ত লোক, শ্ৰাৱস্তীৰ এজন ধনাধ্যক্ষ তেওঁ। তোমালৈ উপযুক্ত পাত্ৰ ঠিক কৰিছে, মানে-মৰ্যাদাই সমান।’

‘মোক মান-মৰ্যাদা নালাগে’, মই ক’লো – ‘মোক লাগে তোমাক। তুমি নহলে মই... ।’

অভয়ে তলমূৰকৈ ক’লে, ‘সেইটো হ’ব জানো, সোণা ?’ তাৰ পাছত মোৰ মুখলৈ চাই ক’লে, ‘মই বাৰু ইয়াৰ পৰা গুচি যাম। তুমি তোমাৰ নতুন সংসাৰ, সুখৰ সংসাৰ আৰম্ভ কৰিবা... এই দুদিনৰ সোঁৱৰণি দুঃস্বপ্নৰ দৰে আঁতৰি যাব। তুমি নুবুজা কিয় তোমাৰে মোৰে মিলনৰ ইয়াতেই শেষ - ইয়াতকৈ বেছি তুমিও পাব নোৱাৰা, ময়ো নোৱাৰোঁ।’

‘কিয়, কিয় নোৱাৰিম ?’ মই উত্তেজিত হৈ ক’লো।

অভয়ে ধীৰ কৰুণ আৰু নিৰ্ভৰযোগ্য মাতেৰে ক'লে, 'তুমি অবুজ নহবা সোণা। সমাজৰ কথা ভাবা... তুমি মোৰ প্ৰভু কন্যা - মই তোমাৰ পিতাৰাৰ আশ্ৰিত, মই গৃহপৰিচাৰক - ভৃত্য -'

'তেনেকৈ নক'বা অভয় - তুমি মোৰ সৰ্বস্ব। এইখন সমাজৰ পৰা আঁতৰি গৈ দূৰত ক'ৰবাত অচিনাকী ঠাইত কিয় গঢ়ি ল'ব নোৱাৰিম আমাৰ সংসাৰ - আমাৰ নতুন জীৱন ?' মই উত্তেজনাত ফোঁপাবলৈ ধৰিলোঁ।

অভয় শান্ত। তেওঁৰ কণ্ঠস্বৰত আশাভৰা বিষন্নতা, 'মোৰ ভয় লাগে সোণা, তুমি ধনীৰ জীয়াৰী, পিতা-মাতাৰ আদৰৰ দুলালী - মোৰ ঘৰ-বাৰী নাই, ক'লৈ লৈ যাম তোমাক ?'

'তোমাৰ হাত আছে, তোমাৰ শক্তি আছে - তুমি কাম জানা। কিমান কাম জানা ! তুমি মোৰ মইনাৰ বাবে কি ধুনীয়া সঁজা সাজি দিছিলা ! মোৰ বাবে এটা ঘৰ সাজি দিব নোৱাৰিবানে ? তুমি মোৰ বাবে বনৰ মইনা ধৰি আনিছিলা, বনৰ ফল আনিব নোৱাৰিবানে ?'

পটাচাৰাই কৈ গ'ল :

'বিয়াৰ মাঙ্গলিক বাদ্যৰ মাজত সকলোৰে চকুত ধূলি দি মই আৰু অভয় ওলাই আহিলোঁ। তাৰ পিছত কুশীনাৰাৰ এটা সৰু চুবুৰীত আৰম্ভ কৰিলোঁ আমাৰ জীৱন।'

'অভয়ক পাবৰ কাৰণে ঘৰ-বাৰী এৰিলো। আকৌ অভয়ৰ সৈতে সংসাৰ কৰি বাৰে বাৰে মনত পৰিবলৈ ধৰিলে মই এৰি অহা ঘৰখন - পিতা-মাতাৰ ঘৰখন।'

শান্ত স্বৰেৰে বুদ্ধই ক'লে, 'তৃষ্ণাৰ স্বভাৱেই তেনে, শ্ৰাৱিকা। পোৱাটো এৰি আহি নোপোৱাটোৰ বাবে হাবাথুৰি খায়; আকৌ পোৱাটোত সন্তুষ্ট নহৈ এৰি থৈ অহাটোৰ বাবে গুমৰি মৰে।'

পটাচাৰাই বৈ অহা চকু পানীখিনি আঁচলেৰে মচি ক'লে, 'নিজৰ অতীতৰ কথা ভাবিয়েই যে মোৰ স্বামী, মোৰ পিতাৰ ঘৰলৈ যাব নোখোজে সেই কথা মই

জানিছিলোঁ। কিন্তু স্পষ্টকৈ তেওঁ একো ক’বও নোৱাৰে, জানোচা মই আঘাত পাওঁ ! ঘৰলৈ মনত পৰিলে মই বলিয়া হওঁ। মোৰ প্ৰাণে কান্দে মোৰ আইলৈ, পিতালৈ, মোৰ ভাইটোলৈ।

মোৰ প্ৰথম সন্তানৰ জন্মৰ পাছতো মই স্বামীক বুজাব নোৱাৰি, মান্তি কৰাব নোৱাৰি অকলে পিতৃগৃহৰ ফালে ওলাই আহিছিলোঁ। অৰণ্যতে মোৰ প্ৰসৱ হৈছিল। স্বামীয়ে মোক আহি সেই অৰণ্যতে পাই কুশীনাৰাৰ সেই চুবুৰীলৈ আকৌ ঘূৰাই লৈ গৈছিল। আকৌ বছৰ ঘূৰিল, আকৌ দ্বিতীয় বাৰৰ বাবে...’

পটাচাৰাই হুক-হুকাই কান্দি পেলালে। ইমানপৰে ক্ৰমে স্পষ্ট হৈ অহা ঘটনাবোৰ আকৌ যেন খেলিমেলি হৈ গ’ল। হেৰাই গ’ল ওচৰতে থকা শান্ত-সমাহিত বুদ্ধ, হেৰাই গ’ল শ্ৰাৱস্তী, জেতবন বিহাৰ। নিমিষতে পটাচাৰা পৰিৱৰ্তিত হৈ গ’ল সোণালৈ। সোণা এতিয়া গভীৰ অৰণ্যৰ মাজত - কেউফালে আৱৰি ধৰা এন্ধাৰৰ মাজত অভয়ৰ প্ৰত্যাগমন আশা কৰি উৎকণ্ঠা লৈ বাট চাই আছে। সেই যে কাঠ-বাঁহ আনিবলৈ অৰণ্যত সোমাল আৰু তেওঁ উভতি অহা নাই। আকাশত মেঘে গাজিছে। বিজুলীয়ে যেন আকাশখন চিৰাচিৰ কৰি ফালি পেলাইছে। তাৰ পোহৰত গোটেই অৰণ্য মুহূৰ্তৰ বাবে আলোকিত হৈ উঠিছে। কিন্তু অভয়ৰ কোনো দেখা-দেখি নাই। অদূৰত নিশাচৰ জন্তুৰ আৰু সুদূৰত নিশাচৰ পখীৰ বুকু কঁপাই দিয়া মাত। একোবাৰ বতাহৰ সেঁতৰ লগতে সোণাইও যুক্ত কৰিছে তাইৰ কাতৰ মাত – ‘স্বামী, স্বামী তুমি ক’ত ?’ কিন্তু বতাহৰ হো-হোৱনিৰ বাহিৰে আন কোনো উত্তৰ নাই। চালুকীয়া সন্তানটো বুকুত সাৱটি লৈ সোণাই মনে মনে জৈমিনী আওঁৰাইছে। সৰুতে শুনিছিল জৈমিনী মন্ত্ৰ জপ কৰিলে হেনো মেঘ দেৱতাই একো হানি কৰিব নোৱাৰে। বতাহ বলিছে বৰষুণ আনিছে, এটা প্ৰচণ্ড ধুমুহাৰ কৱলত গোটেই অৰণ্য। নিৰুপায় হৈ তাই কেঁচুৱাটো কোলাত লৈ এবাৰ ইফালে এবাৰ সিফালে ঘূৰি ফুৰিছে। তাৰ পাছত নিৰুপায় হৈ কেঁচুৱাটো বুকুত লৈ নিজৰ গাৰে তাক ঢাকি উবুৰি হৈ বহি পৰিল ।

আকৌ... তাৰ পাছত, এয়া কি? কি অসহ্য যন্ত্ৰণা... প্ৰসৱ বেদনা ! তাইৰ

আহিবলগীয়া শিশুটি আহিব এই ধুমুহা আৰু মেঘৰ গাজনিৰ মাজতে ! এই অন্ধকাৰ ৰাতি সি আহিব পৃথিৱীৰ পোহৰ বিচাৰি।

তাৰ পাছত এক নৱজাত শিশুৰ ক্ৰন্দন আৰু সোণাৰ অসংলগ্ন প্ৰলাপ :

‘তই আহিলি, আহিলি বাছা ? এই দুৰ্যোগ পাৰ হোৱালৈকে তই ৰ’ব নোৱাৰিলি ? তোৰ পিতৃয়ে তোৰ মূৰৰ ওপৰত এখন আচ্ছাদন দিয়ালৈকে তই নৰ’লি ? দিনৰ পোহৰৰ বাবেও তই নৰ’লি ? তই আহিলি, আহিলি !’ সেই অসংলগ্ন প্ৰলাপ আকৌ চলি থাকিল :

‘বিদ্যুৎ... আৰু এবাৰ জিলিকি উঠা - আকৌ জিলিকি উঠা। তোমাৰ পোহৰত মই সৌ তীক্ষ্ণ তৃণডালেৰে মোৰ সন্তানৰ নাভি সংস্কাৰ কৰোঁ - আকৌ এবাৰ – বিজুলী - আকৌ এবাৰ - উস্ উস্ !’

দুফালে দুটা কেঁচুৱা লৈ সেই প্ৰৱল ধুমুহাৰ মাজতো সোণাৰ টোপনি আহিল। লাহে লাহে ধুমুহাৰ শব্দ শান্ত হৈ আহিল।

অৰণ্যত ৰাতি পুৱাল। জেতবনৰ গন্ধকুটিত সন্ধ্যা নামি আহিল। ভগৱান বুদ্ধৰ কক্ষত এজন ভিক্ষুৱে প্ৰদীপ জ্বলাই দি গ’ল। সোণা আকৌ ৰূপান্তৰিত হ’ল পটাচাৰালৈ। মূৰ্চ্ছিতা পটাচাৰাৰ জ্ঞান ঘূৰি নহালৈকে মহাপজাপতী গোতমীয়ে আঁচলেৰে বিচি আৰু চকুৱে মুখে পানী ছটিয়াই থাকিল।

## ॥ চাৰি ॥

ভিক্ষুণী সংস্থাৰ যত্ন আৰু শুশ্রুষাত পটাচাৰ আকৌ ক্রমে সুস্থ হ'বলৈ ধৰিলে। তাই এইবাৰ মনটো যেন আৰু ডাঠ কৰি ল'লে। তাই সকলো কথা মনত জুকিয়াই ল'ব। আৰু তাই মায়াচিত্ৰৰ কৱলত নপৰে, আৰু প্রলাপ নহয় - স্পষ্ট কথাৰে তাই তাইৰ সকলো কথা এই মানুহজনৰ আগত মুকলিকৈ প্রকাশ কৰিব। মহাপজাপতি গোতমীক তাই ক'লে :

'অজ্জে, আপোনালোকে যিজনক তথাগত বোলে, যিজনৰ কৰুণাত মই সংজ্ঞা লাভ কৰিছোঁ, সেই মানুহজনৰ কৰুণাতে মোৰ সজ্ঞান স্মৃতি লাভ হ'ব। মোক আকৌ এবাৰ তেওঁৰ ওচৰলৈ লৈ যাবনে, অজ্জে ?'

গোতমীয়ে মিঠা হাঁহি এটা মাৰিলে। ক'লে 'লোকবিদু বুদ্ধই বিশ্বৰ সকলো তত্ত্ব জানে, মানুহৰ মনৰ সকলো ৰহস্য তেওঁ বুজি পায়। তুমি নোকোৱাকৈয়ে তোমাৰ সকলো কথাই তেওঁ নিশ্চয় জানে। কাৰণ, বাহিৰৰ ঘটনাপুঞ্জৰ আঁৰত যি সত্য লুকাই থাকে, সেই সত্যসমূহ তেওঁ আৱিষ্কাৰ কৰিছে। তুমি তেওঁক বিচাৰিবই নালাগে, তেওঁৱেই তোমাক বিচাৰিব। তোমাৰ হয়তো এতিয়া মনত নাই, তোমাক দেখিয়েই তেওঁ 'এ'হি ৱহিনী' বুলি আহ্বান কৰিছিল। এদিন হয়তো তেওঁ তোমাক 'এ'হি ভিক্খুণী' বুলি আহ্বান কৰিব আৰু সেই দিনাৰপৰাই তুমি সোতাপন্ন হ'বা।' – পটাচাৰাই গোতমীয়ে কোৱা সকলো কথা শুনি গ'ল। সোতাপন্ন বুলিলে কি বুজায়, 'এ'হি ভিক্খুণী' বুলি কোৱাৰ তাৎপর্যনো কি সেইবোৰ তাই একো বুজি নাপালে। তাই মাথোন জানিলে এই এজন মানুহ আছে যি তাইক শান্তি দিব পাৰে, যি তাইৰ হেৰোৱা সকলো সম্পদ, সকলে আনন্দ ঘূৰাই দিব পাৰে। এই কথাটোও তাই অনুভৱ কৰিছে যে এই মানুহজন যেন এজন চিকিৎসক। ব্যাধিৰ সকলো ইতিহাস স্পষ্টকৈ ক'ব পাৰিলে তেওঁ ব্যাধি নিৰাময় কৰি হেৰোৱা জীৱন আকৌ ঘূৰাই দিব পাৰিব।

# ॥ পাঁচ ॥

পূৰ্ণিমাৰ উপোসথৰ পাছত এদিন বুদ্ধই আকৌ পটাচাৰাক আহ্বান কৰিলে। এইবাৰ গন্ধকুটিলৈ নহয়, মণ্ডলমাললৈ। সমবেত ভিক্ষু আৰু উপাসক মণ্ডলীৰ সমুখত এই নৱাগতা শ্ৰাৱিকাই তেওঁৰ স্মৃতি কথা প্ৰকাশ কৰিব। মণ্ডলমালত সেইদিনা ভগৱান বুদ্ধই তেওঁৰ দেশনা আগতে গোৱা ধম্মপাদৰ গাঁথাৰেই আৰম্ভ কৰিলে :

'পিয়তো জায়তে সোকো পিয়তো জায়তে ভয়ং ।

পিয়তো ৱিপ্পমুত্তস্স নথি সোকো কুতো ভয়ং ।।

[প্ৰিয়ৰ পৰাই শোকৰ জন্ম হয়, প্ৰিয়ৰ পৰাই উৎপন্ন হয় ভয়, প্ৰিয়ৰ পৰা যিজন মুক্ত, তেওঁৰ শোক নাথাকে, ভয়েই বা থাকিব ক'ত ?]

তাৰ পিছত বুদ্ধই কৈ গ'ল, প্ৰিয় বস্তুৰ বিয়োগত কেনেকৈ মানুহৰ শোকৰ উৎপত্তি হয় আৰু প্ৰিয় বস্তু হেৰুওৱাৰ ভয়ত কেনেকৈ ভয়ৰ উৎপত্তি হয়, ভয়ৰ পৰা কেনেকৈ উৎপত্তি হয় ভ্ৰান্তি আৰু বিভ্ৰমৰ। তাৰ পিছত ক'লে, 'প্ৰিয় বস্তুৰ আসক্তিৰ পৰা যিজন মুক্ত হ'ব পাৰে তেওঁৰ শোক নাই, তেওঁৰ ভয় নাই। কিন্তু আসক্তি আৰু মুক্তিৰ মাজত দুস্তৰ বাধা, দুৰ্লংঘ্য প্ৰাচীৰ। সেই সিদিনা আমাৰ মণ্ডলমাললৈ অহা উলংগিনী, উন্মাদিনী নাৰীৰ কথা হয়তো সকলোৰে মনত আছে। তেওঁ সংজ্ঞা, স্মৃতি সকলো হেৰুৱাই পেলাইছিল। তেওঁৰ অন্তৰখন আবৃত হৈ আছিল তৃষ্ণাৰ জটিল আৰু কুটিল বস্ত্ৰেৰে; আৰু তেওঁৰ দেহ আছিল অনাবৃত, সংজ্ঞাহীন। বাহিৰৰ নগ্নতা দৃষ্টিকটু আৰু অসুন্দৰ। কিন্তু অন্তৰৰ নগ্নতা পবিত্ৰ আৰু সুন্দৰ। বিশ্বৰ আগত নগ্ন চিত্ত নিৰাভৰণ সত্তা লৈ থিয় হ'ব পাৰিলে প্ৰিয় বন্ধন, মোহৰ বন্ধন উন্মুক্ত হৈ যায়। সেই নাৰীৰ

অন্তৰৰ ক্ষুব্ধ আৱৰণ, মোহৰ জাল ক্ৰমে ক্ৰমে খহি পৰিছে আৰু বুদ্ধই আশা কৰিছোঁ – আজি তেওঁৰ অন্তৰৰ চিৰনগ্ন আৰু পৱিত্ৰ ৰূপ বিশ্বই দেখা পাব আৰু তেওঁ নিজেও তাক দেখা পাই নতুন জীৱন আৰম্ভ কৰিব। এইবুলি বুদ্ধই

তেতিয়ালৈকে জনা পটাচাৰাৰ জীৱন বৃত্তান্ত সংঘৰ আগত ব্যক্ত কৰিলে। কিদৰে দেহৰ তৃষ্ণাত অভিভূত হৈ গৃহভৃত্যৰ লগত তাই পলাই গুচি গ'ল, কিদৰে আকৌ পিতৃ-মাতৃৰ স্নেহৰ স্মৃতিয়ে তাইক ঘৰমুৱা কৰিলে, কিদৰে স্বামীৰ লগতে সন্তুষ্ট নহ'ল, অৰণ্যৰ মাজত কিদৰে তেওঁ দুটি সন্তানৰ জন্ম দিলে সেই সকলোবোৰ বুদ্ধই বৰ্ণনা কৰি গ'ল।

উপস্থিত ভিক্ষু আৰু উপাসক মণ্ডলীৰ মাজত এটা কৰুণ ভাৱ বিয়পি পৰিল। অস্ফুট স্বৰে সকলোৱে যেন কৈ উঠিল, 'কি যন্ত্ৰণা কি বিড়ম্বনা এই মানৱ জীৱন, কি প্ৰভাৱ সৰ্বনাশকাৰী তৃষ্ণাৰ।'

বুদ্ধই আকৌ শান্তস্বৰে ক'লে, 'হয়তো ইয়াতেই শেষ নহয় ! স্বামী, গৃহত্যাগ কৰি পিতৃগৃহৰ অভিমুখে অহা সেই নাৰীক আমি দেখা পাইছিলোঁ উলংগিনী, উন্মাদিনী বেশত। তাৰ মাজৰ সময়খিনি তাইৰ বাবে নিশ্চয় আছিল আৰু যন্ত্ৰণাময় আৰু বেদনাদায়ক। সেইখিনিৰ সংবাদ তাই যদি জানিব পাৰে, তাই যদি বিশ্বক ক'ব পাৰে তেতিয়া হ'লে তাইৰ মনলৈ আহিব শান্তি। অন্তৰৰ নগ্নতাই আপোন জ্যোতিৰে উদ্ভাসিত কৰিব তাইৰ সকলো চিন্তা, সকলো কৰ্ম।

এইবুলি বুদ্ধই আনন্দৰ ফালে চালে আৰু ক'লে, 'আয়ুষ্মান আনন্দ, তুমি মহাপজাপতি গোতমীক কোৱাগৈ - তেওঁ যেন শ্ৰাৱিকা পটাচাৰাক মণ্ডলমাললৈ লৈ আহে। আজিয়ে তেওঁৰ চৰম পৰীক্ষা। হয় তেওঁ তেওঁৰ পূৰ্বৰ নাম 'সোণা'ৰ ৰূপত সুস্থ হৈ সংসাৰলৈ ওলাই যাব, নহলেবা আমি দিয়া পটাচাৰ নামেৰে ভিক্ষুণী সংঘত প্ৰৱেশ কৰিব। অসুস্থ চিত্তক সুস্থ কৰাটোৱেই তথাগতৰ কৰ্ম। তাৰ পিছত নিজৰ চাকি জ্বলাই, নিজৰ বাটেৰে মানুহ আগবাঢ়ি যাব। মানুহ আত্তদীপ হ'ব। আত্তশৰণ হ'ব।'

# ॥ ছয় ॥

কিছুপৰৰ পাছতে পটাচাৰাক লৈ মহাপজাপতি গোতমী মণ্ডলমালত প্ৰৱেশ কৰিলে। বুদ্ধক প্ৰদক্ষিণ কৰি দুয়ো একাষত বহিল। বুদ্ধই কোনো ভণিতা নোহাৱাকৈ পটাচাৰাৰ মুখলৈ চাই ক'লে, 'ভগিনী, তোমাৰ জীৱনৰ কাহিনীৰ কিছু আভাস আমি পাইছোঁ। এতিয়া তুমি তোমাৰ বাকী থকা কথাখিনি কোৱা। অৰণ্যৰ মাজত ধুমুহাৰ অন্তত আমি তোমাক দেখা পাইছোঁ এজনী অসহায়া নাৰীৰূপে, যাৰ দুকাষে দুটা কেঁচুৱা। তাৰে এটি সদ্যজাত। সেই নাৰীয়ে আশা কৰি আছে স্বামীৰ আগমন। তুমি এতিয়া সেই দিনটোলৈ ঘূৰি যোৱা, কোৱা।'

পটাচাৰাৰ বুকুখন কঁপি উঠিল। তাই আৰু 'সোণা' হ'ব নোখোজে। সোণাৰ কথা ভাবিলে তাইৰ অন্তৰখন যন্ত্ৰণাত সংকুচিত হৈ পৰে। বুদ্ধই যেন তাইৰ মনৰ ভিতৰখন সম্পূৰ্ণ কৈ দেখা পালে। বুদ্ধই ক'লে, 'তোমাৰ অন্তৰত থকা সোণাজনীক তুমি সম্পূৰ্ণৰূপে প্ৰকাশ কৰা। নহ'লে তোমাৰ ভৱিষ্যত জীৱনক তাই আকৌ নতুন যন্ত্ৰণাৰ মাজলৈ ঠেলি দিব পাৰে।'

পটাচাৰা পোন হৈ বহিল। তাৰ পিছত তেওঁ লাহে লাহে কৈ গ'ল।

এইবাৰ সেই সোণা নামৰ ছোৱালীজনী যেন তাই নহয় - তাইৰ তেনেকুৱা লাগিল। পটাচাৰাই এইবাৰ যেন সোণাৰ কথা ক'লে, কোনোবা এজনী সোণাৰ।

'সোণাৰ স্বামী উভতি নাহিল, আগ ৰাতিৰ বৰষুণত সোণা আৰু কেঁচুৱা দুটিৰ গা জুৰুলি-জুপুৰি। ডাঙৰ সন্তানটো মাটিত বাগৰি আছে, নৱজাত সন্তানটিও এটুকুৰা মাংসপিণ্ডৰ দৰে পৰি আছে। সোণাই নতুন সন্তানটিক বুকুত সাৱটি ল'লে।'

'স্বামী বাৰু কিয় নাহিল ? তেওঁ তাইৰ ওপৰত অভিমান কৰিয়ে নাহিল নেকি ? কিয় তেওঁ পাহৰিব নোৱাৰে যে তেওঁ দাস আছিল, সোণাই ভাবিলে !'

'তেনেকুৱা দেহাৰে তাই দুটা কেঁচুৱা লৈ কি কৰিব তাই ভাবি নাপালে। তাই কেনি যাব, ক'লৈ যাব ঠিক কৰিব নোৱাৰিলে। তাই এখুজি দুখুজিকৈ তাইৰ

স্বামী যিফালে গৈছিল সেইফালে যাবলৈ ধৰিলে - কিছু দূৰৰ বাঁহ এজোপা লক্ষ্য কৰি। এইটোৱেই বাট, এইটোৱে হাবিৰ বাট। যোৱা সন্ধিয়া এই বাটেৰেই স্বামী গৈছিল। কিছুদূৰ গৈ তাই হাবিৰ মাজত এটুকুৰা অতি পৰিষ্কাৰ ঠাই দেখা পালে। ঠাইখিনিত এটা শুকান পাতো নাই। কিন্তু... তাৰ মাজতে শুই আছে... তাইৰ স্বামী। কিন্তু স্বামীৰ দেহ ইমান ক'লা কিয় ? সোণা শুই থকা স্বামীৰ ফালে আগ বাঢ়িল। কাষ চপাৰ লগে লগেই বুজিলে সেয়া তাইৰ স্বামীৰ মৃতদেহ ! হঠাৎ বাহ গছৰ ফালৰপৰা তাই এটা ফোঁচ-ফোঁচনি শুনিলে। ঘূৰি চাই তাই দেখিলে বাঁহৰ জোপাটোৰ কাষতে ওখকৈ ফেঁট তোলা এটা ডাঙৰ সাপ - তৰাদাঁহী সাপ। তাই শুনিছিল - তৰাদাঁহী সাপে সিহঁতৰ বাঁহৰ চাৰিওফাল পৰিষ্কাৰ কৰি ৰাখে আৰু ৰাজহাঁহৰ দৰে মাতে। স্বামীৰ মৃত্যুৰ কাৰণ বুজিবলৈ তাইৰ আৰু বাকী নাথাকিল ! কিন্তু প্ৰাণৰ ভয়ত, জীৱনৰ লালসাত, স্বামীৰ মৃতদেহ অৰণ্যতে এৰি তাই লৰি পলাই আহিল। সেই ৰুগ্ন, শীৰ্ণ দেহত পলাবলৈ ক'ৰপৰা শক্তি হ'ল তাই ক'ব নোৱাৰে।'

দুটা কেঁচুৱা কাষত লৈ বাৰে বাৰে বাট হেৰুৱাই তাই আহি নৈ এখনৰ পাৰ পালেহি। তাই জানে, এই নৈখন পাৰ হলে সিপাৰেদি শ্ৰাৱস্তীলৈ যোৱা বাট। শ্ৰাৱস্তীৰপৰা স্বামীৰ লগত পলাই আহোঁতে সেই বাটেৰে তাই আহিছিল আৰু নৈখন পাৰ হৈ হাবিতলীয়া বাটেৰে কুশীনাৰালৈ গৈছিল। তেতিয়া নদীখন আছিল শুকান। বহল বালিৰ মাজেৰে জিৰ জিৰকৈ এসোঁতা পানী মাত্ৰ বৈ আছিল। অতি সহজে খোজকাঢ়ি পাৰ হৈ আহিছিল সিহঁত। কিন্তু যোৱা ৰাতিৰ বৰষুণত নদীখন ওফন্দি উঠিছিল। দ' বেছি নহয়, কিন্তু সোঁতৰ বেগ অতি প্ৰবল। এই নদীখন পাৰ হ'ব পাৰিলে তাই পাব শ্ৰাৱস্তীৰ পথ - আৰু তাইৰ বৈধব্য জীৱন পিতা-মাতাৰ আশ্ৰয়তে কটাই দিব পাৰিব। নিজৰ সন্তান দুটিৰ মাজতে তাই বিচাৰি পাব তাইৰ স্বামী, তাইৰ প্ৰিয়জনক, তাইৰ অভয়ক ।'

এতিয়া তাই দুটা কেঁচুৱা কোলাত লৈ কেনেকৈ পাৰ হ'ব এই খৰস্ৰোতা নদী। তাই ঠিক কৰিলে, এটা এটাকৈ দুয়োটা সন্তানক দুবাৰত পাৰ কৰি নিব।

ডাঙৰ ল’ৰাটোক পাৰত বহুৱাই থৈ, নৱজাতকটি কোলাত লৈ তাই পানীত নামিল। যাওঁতে ডাঙৰকৈ মৰম কৰি কৈ গ’ল - “তুমি ইয়াতে বহি থাকা, মই ভাইটিক সিপাৰত থৈ আকৌ তোমাক লৈ যামহি। কিছুদূৰ খোজকাঢ়ি, আধা সঁতুৰি সোণা কেঁচুৱাটো লৈ নদীখন পাৰ হ’ল। পাৰৰ বহল এটা শিলত কেঁচুৱাটো থৈ ডাঙৰ ল’ৰাটোক লৈ যাবলৈ আকৌ পানীত নামিল। নদীৰ মাজৰপৰাই সোণাই মন কৰিলে আকাশত এটা শেন চৰায়ে পাক লৈছে। শেন চৰাইটোৱে দেখোন কেঁচুৱাটো থকাৰ পিনে উৰি গৈছে ! পানীৰ মাজত কি কৰিব কি নকৰিব ভাবি নাপাই সোণাই একোবাৰ চুঃ চুঃ কৈ আৰু একোবাৰ হাত চাপৰি মাৰি শেন চৰাইটোক খেদাবলৈ যত্ন কৰিলে। আনফালে আকৌ মাকৰ হাত চাপৰি আৰু চিঞৰ-বাখৰ শুনি ডাঙৰ ল’ৰাটো ভয়তে মাকৰ ওচৰলৈ আহিবলৈ পানীত নামিল। সোণাই একোবাৰ ডাঙৰ ল’ৰাটোক কয়, ‘নাহিবা বাচা, নাহিবা’, আনফালে আকৌ দূৰৰপৰা শেন চৰাইটো খেদিবলৈ যত্ন কৰে। সেই বিমূঢ় অৱস্থাতে তাই দেখিলে শেন চৰাইটোৱে এটুকুৰা মাংসপিণ্ডৰ দৰে তাইৰ নৱজাত সন্তানটো নখেৰে খামুচি লৈ উৰি গুচি গ’ল আৰু আনফালে তাইৰ ডাঙৰ সন্তানটো পানীৰ তীব্ৰ সোঁতত উটি গ’ল।

‘তথাপিও তাই জীয়াই থাকিল, তাই পাৰলৈ উঠিল। আৰু শ্ৰাবস্তীৰ বাটৰ ফালে খোজ ল’লে।’

পটাচাৰাৰ চকুৰ পৰা চকুলো বৈ আহিব খুজিছিল, তাই সেই অশ্ৰু সম্বৰণ কৰিবলৈ বাৰে বাৰে চেষ্টা কৰিলে। কিন্তু অশ্ৰু প্লাৱন আহি তাইৰ গোটেই মুখ, সমগ্ৰ সত্তা যেন বুৰাই দিলে। অলপ আগৰ নিৰ্বিকাৰ বৰ্ণনাৰ ঠাইত থোকা-থুকি মাতেৰে তাই ক’লে, ‘এইদৰে ভগৱান, মোৰ স্বামীৰ মৃত্যু হ’ল সৰ্প দংশনত। মোৰ দুটি পুত্ৰ অকালতে মৃত্যুৰ মুখত পৰিল... তথাপি মই জীয়াই থাকিলোঁ... আহি থাকিলোঁ। এদল সাৰ্থবাহৰ লগত আহি মই শ্ৰাৱস্তী পালোঁহি। মোক থৈ সাৰ্থবাহসকল কোনোবাফালে গুচি গ’ল। শ্ৰাৱস্তী হয়তো এইখন ? মোৰ শৰীৰ-মন দুৰ্বল, ধুৱলি-কুঁৱলী। মই এজন বাটৰুৱাক সুধিলো :

‘মহাশয়, এইখন কি ঠাই ? ’

বাটৰুৱাজনে আচৰিত হোৱাৰ দৰেই ক'লে, 'কিয় ? এইখন শ্রাৱস্তী। তুমি শ্রাৱস্তীও চিনি নোপোৱা নেকি ?'

মই ক'লো, 'পাওঁ, মানে পাইছিলোঁ। আমি পুৰনাৰীবিলাক বৰকৈ ওলাই সোমাই নুফুৰোঁতো ! আপোনাৰ ঘৰ শ্রাৱস্তীতে নেকি ?'

'ওঁ, ইয়াতে, কি হ'ল ?'

'আপুনি বাৰু কোষাগাৰিক সোণদণ্ডক চিনি পায়নে ? তেখেতৰ ঘৰলৈ যোৱা বাটটো জানেনে ?'

বাটৰুৱাজনে অদ্ভুতভাৱে মোলৈ চাই ক'লে, 'আই, তুমি কোন মই নাজানোঁ। কিন্তু তুমি মোক তেওঁলোকৰ কথা নুসুধিবা। আন কথা সোধা।'

মই বিব্রত হ'লোঁ, কিয় তেনেকৈ কথা কৈছে মানুহজনে ? মই ক'লোঁ, 'কিয়, মহাশয় ? মোক আন খবৰ নালাগে... কোষাগাৰিক সোণদণ্ডৰ ঘৰলৈ যোৱা বাটটোহে মই জানিব খুজিছোঁ।.... আপুনি সোণদণ্ডক বেয়া পায় নেকি.... মই বুজিব পৰা নাই।'

'ময়ো বুজিব পৰা নাই, তুমি কিয় বুজিব পৰা নাই। কালি ৰাতিৰ ধুমুহা-বৰষুণৰ কথা তুমি নাজানা নেকি ?'

'কিয় নাজানিম ?' মই মনতে ক'লো, কালি গোটেই ৰাতি মই বৰষুণত তিতিছোঁ। তাৰ পিছত আকৌ মুখ ফুটাই ক'লো :

'মই বাৰু আপোনাক সকলো কথা ক'ম। আপুনি কেৱল মোক কোষাগাৰিকৰ ঘৰলৈ যোৱা বাটটো দেখুৱাই দিয়ক।'

বাটৰুৱাজনে আকৌ মোৰ ফালে চালে। তাৰ পিছত ক'লে, 'ব'লা, আহা মোৰ লগতে।'

এইবুলি তেওঁ আগবাঢ়িল। মই তেওঁৰ পিছে পিছে গৈ থাকিলোঁ। ভাবিলোঁ, পিতৃগৃহত গৈ... কিন্তু এয়া তেওঁ মোক কোনফালে আনিছে ? এয়া দেখোন শ্মশানভূমি ! এওঁ কাপালিক নেকি ?

শ্মশানৰ প্ৰৱেশ পথত ৰৈ তেওঁ ক'লে, 'সৌৱা তিনিটা চিতা জ্বলিব

লাগিছে। তুমি যাৰ খবৰ লৈছা তেওঁৰ আৰু আন দুটা তেওঁৰ পত্নী আৰু পুত্ৰৰ - কালি ৰাতি ধুমুহাত তেওঁলোকৰ ঘৰটো ভাগি পৰি তিনিওজনৰে মৃত্যু হৈছে।'

মই মন কৰিলোঁ, তেওঁ এবাৰো সোণদণ্ড নামটো উচ্চাৰণ নকৰিলে৷ মৃতকৰ নাম উচ্চাৰণ কৰা অবিধি। মই আগতেই বুজিব লাগিছিল।

হঠাৎ মই অনুভৱ কৰিলোঁ - সেই মুহূৰ্তৰপৰাই মোৰ শৈশৱলৈকে গোটেইটো জীৱন যেন চকৰিৰ দৰে মোৰ মনৰ ভিতৰত দ্ৰুত গতিত পাক খাই গ'ল - আকৌ যেন বিপৰীত গতিৰে সেই একেই বেগেৰে আহি অতীতৰ পৰা সেই মুহূৰ্তটোত ৰৈ গ'লহি - ।

ভগৱান, তাৰ পাছত আৰু মই একোকে ক'ব নোৱাৰোঁ - একো মনত নাই - কেৱল শূন্য - ।

'তাৰ পিছত আপোনাৰ মাত শুনিলো - সকলো শূন্যতাৰ সিপাৰৰ পৰা, সকলো শূন্যতাৰ ভিতৰৰপৰা 'এহি ৱহিনী !' মোক ৰক্ষা কৰক ভগৱান৷ শুনিছোঁ আপুনি বুদ্ধ - সৰ্বশক্তিমান, গোটেই বিশ্বই আশ্ৰয় লৈছে আপোনাত। মোক ঘূৰাই দিয়ক মোৰ পিতাক, মোৰ আইক, মোৰ স্বামীক, মোৰ সন্তানক - ঘূৰাই দিয়ক প্ৰভু।'

বুদ্ধ কিছুপৰ মৌন হৈ ৰ'ল। তাৰ পাছত শান্ত স্বৰেৰে ক'লে, 'পটাচাৰা, তোমাৰ হেৰোৱা ধন পুনৰুদ্ধাৰ হোৱা অসম্ভৱ। পিতা, মাতা, স্বামী, সন্তানৰ বাবে এতিয়া তুমি যেনেকৈ চকুলো টুকিছা ইয়াৰ আগতেও অগণ্য জন্মত সেই একেদৰেই চকুলো টুকিছিলা। তোমাৰ চকুলো চাৰিওখন মহাসমুদ্ৰতকৈও অধিক। অকল তোমাৰেই নহয় পটাচাৰা, দুখী মানুহৰ অশ্ৰুৰাশিয়ে সহস্ৰ সমুদ্ৰ সৃষ্টি কৰি আহিছে। শোকমগ্ন হৈ সেই অশ্ৰুৰ এটা বিন্দুও কোনেও কমাব নোৱাৰে।'

'পটাচাৰা, লোকান্তৰত সন্তান-সন্ততি, আত্মীয়-স্বজন কোনেও কাকো সহায় কৰিব নোৱাৰে। মৃত্যুৰ গ্ৰাসত পৰিলে ৰক্তৰ সম্বন্ধই, সমাজৰ সম্বন্ধই - একোৱেই আশ্ৰয় নিদিয়ে। পৰ্বতত আশ্ৰয় বিচাৰিবা ? কিন্তু পৰ্বতে কাক আশ্ৰয় কৰে ? আশ্ৰয় থাকে কেৱল নিজত - নিজৰ কৰ্মত। সেই কাৰণেই প্ৰাজ্ঞসকলে শীল পালন কৰি

নিৰ্বাণৰ পথ পৰিষ্কাৰ কৰে।'

'পটাচাৰ, মই অনুভৱ কৰিছোঁ জীৱনৰ এই তিক্ততাই জীৱনৰ বিষয়ে তোমাক প্ৰকৃত জ্ঞানৰ বতৰা দিছে। দুখ... দুখেই হ'ল প্ৰথম সত্য, তাৰ সোৱাদ তুমি পাইছাই ! দুখ যেতিয়া আছে তাৰ উৎপত্তিও আছে। উৎপত্তি যদি আছে তাৰ কাৰণো আছে। সেই কাৰণ নিৰ্মূল কৰাৰ উপায়ো আছে – পটাচাৰা !'

পটাচাৰাই উপলব্ধি কৰিলে - তাই দুখৰ পানপাত্ৰ যেন তলিলৈকে উদঙাই পান কৰিলে। তাৰ পিছত সেই দুখৰ কাৰণ ? উৎপত্তি ? কি এইবোৰ ?

বুদ্ধৰ কণ্ঠ আকৌ শুনা গ'ল – 'শীল...শীলৰ মাৰ্গেৰে তুমি উপনীত হ'ব লাগিব সেই জ্ঞান স্ৰোতত...। পটাচাৰ, তুমি ধ্যান কৰা - শীল সমাধি আচৰণ কৰা। মই দেখিছোঁ - তুমি সোতাপন্ন হৈছা - নিৰ্বাণৰ যাত্ৰাপথৰ সোঁতৰ মাজলৈ তোমাক টানি লৈ আহিছে তোমাৰ জীৱনৰ তিক্ত অভিজ্ঞতাই। পটাচাৰা, সোতাপন্ন ভৱ, সকদাগামী ভৱ.... অনাগামী ভৱ - এয়েই তোমাৰ শেষ জন্ম - তোমাৰ দুৱাৰ দলিত নিৰ্বাণ। নিৰ্ব্বাণং পৰমং সুখম্।'

পটাচাৰাৰ মুখ হ'ল উদ্ভাসিত। মন হ'ল আনন্দিত। কিন্তু ধ্যান-সমাধি ! কি ধ্যান কৰিব তাই ? তাই বুদ্ধক ক'লে, 'ভগৱান, মূৰ্খ নাৰী মই ! কি কথা, কি বিষয়ে মই ধ্যান কৰিম ? মোক কৈ দিয়ক ভগৱান !' বুদ্ধই এইবাৰ একেবাৰে সাৱধান কথা-বতৰা কোৱাৰ দৰে ক'লে, 'পটাচাৰা, তুমি সংঘাৰামলৈ যোৱা। আজি নিৰ্বাণৰ কথা ভাবি ভাবি টোপনি যোৱা। তাৰ পাছত কাইলৈ পুৱা তোমাৰ প্ৰথম যি অভিজ্ঞতা হয় হওক – সি তুচ্ছ। সেয়েই তোমাৰ ধ্যানৰ যোগ্য বিষয় হ'ব।' তাৰ পাছত অলপ ৰৈ ক'লে, 'এহি ভিক্খুণী।'

# উপসংহাৰ

পটাচাৰাৰ কথা :

পৰম কাৰুণিক ভগৱান বুদ্ধৰ কথামতে সংঘলৈ গ'লোঁ। মই ভৰি ধোৱা পানীখিনিলৈ মন কৰিলোঁ। প্ৰথমে ঢলা পানীখিনি অলপ দূৰ বৈ গৈয়েই শুকান মাটিত শুকাই গ'ল। আৰু অলপ পানী ঢালিলো। পানীখিনি আগতকৈ আৰু অলপ দূৰলৈ গৈ মাটিত অদৃশ্য হ'ল। আকৌ এবাৰ ঢালিলো - আৰু বেছি দূৰ গ'ল জলৰ ধাৰা। কিন্তু তাকো শুহি নিলে শুকান মাটিয়ে। ইয়াকেই মই চিন্তাৰ বিষয় কৰি ল'লো। কি চিন্তা কৰিম, কেনেকৈ চিন্তা কৰিম নাজানো। চিন্তা কৰা যে বৰ দাৰুণ কাম !

হঠাৎ মোৰ মনলৈ আহিল – এনেদৰেই জীৱসমূহ কোনোবাই প্ৰথম পুৱাতে, শৈশৱতে, কোনোবাই মধ্যাহ্নত মাজ বয়সত, কোনোবাই সন্ধিয়া বৃদ্ধবয়সত মৃত্যুৰ মুখত পৰে।

মোৰ মনৰ চকুত ভাঁহি উঠিল ভগৱান বুদ্ধৰ মহিমাময় ৰূপ - কাণত বৰ্ষিত হ'ল অপূৰ্ব বুদ্ধবাণী :

'পটাচাৰ, ভিক্ষুণী পটাচাৰা, সকলো প্ৰাণী মৃত্যুৰ অধীন। সেইবাবে এনে ভাবে জীৱন-যাপন কৰিবা যাতে দেহৰ উৎপত্তি আৰু বিনাশ তুমি দৰ্শন কৰিব পাৰা। সেই দৃষ্টি লাভ নকৰাকৈ এশ বছৰ জীয়াই থাকিও লাভ নাই। সেই দৃষ্টি লাভ কৰি মাত্ৰ এটা মুহূৰ্ত জীয়াই থকাও শ্ৰেয় !... আৰু বহুত অস্ফুট সত্য লাহে লাহে মোৰ মনত জিলিকি উঠিল আৰু মোৰ মনৰপৰা সেইবোৰে শব্দৰ দেহ ধাৰণ কৰি দেখা দিলেহি... ।

নাঙলেৰে হাল বাই বীজ সিচি কৃষকে প্ৰতিপাল কৰে নিজৰ পৰিয়াল। শীলৱতী আৰু বুদ্ধশাসনত তৎপৰ হৈ মই নিৰ্বাণ লাভ নকৰিমনে ?

তাৰ পিছত মই হাতত প্ৰদীপ লৈ মোৰ কক্ষলৈ গ'লো। দীপ বৃক্ষত প্ৰদীপ থৈ শয্যাত বহিলোঁ। দীঘল বেজী এটা লৈ চাকিটোৰ শলিতাডাল টানি তেলৰ মাজত

শিখাটো বুৰাই দিলো। প্ৰদীপ নুমাই গ'ল। মোৰ চিত্ত ও যেন পোহৰ শেষ হৈ যোৱা প্ৰদীপৰ দৰে মুক্ত হ'ল। মই অনুভৱ কৰিলোঁ - অনাগত নিৰ্বাণৰ সুখ। নিৰ্ব্বাণং পৰমং সুখম্।

---

সমাপ্ত

---

# সমাপ্তি

ব্লগ অসম (blogasom.blogspot.com) ৰ দ্বাৰা প্ৰকাশিত ।

প্ৰকাশ : ২৪-০৭-২০১৯

প্ৰচ্ছদৰ সৌজন্য : পেক্সেলছ্।

ঠিকনা : pexels.com/photo/adult-ancient-art-asia-345156

এই গ্ৰন্থখনৰ লগত জড়িত যিকোনো বিষয়ৰ বাবে নাইবা অসমীয়া ই-কিতাপ সংক্ৰান্তীয় অন্যান্য বিষয়ৰ বাবে অনুগ্ৰহ কৰি ''nibirborpuzari@gmail.com'' ত যোগাযোগ কৰক। অসমীয়া ই-কিতাপৰ প্ৰসাৰ আৰু প্ৰচাৰত সহায় কৰাৰ বাবে ধন্যবাদ।